সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved | Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ৩৪ সংখ্যা, ৫ ভাদ , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 34 Date of Publication- 23 August 2026 Rs. 10.00/-

## মেঘালয়লৈ নাযায় পেট্ৰ'ল-ডিজেল-গেছৰ টেংকাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মেঘালয়ৰ উদণ্ড খাচি দুৰ্বৃত্তৰ আক্ৰমণৰ বিৰুদ্ধে শনিবাৰেও উত্তপ্ত হৈ পৰে যোৰাবাট। মুখেৰে যিমানেই প্ৰতিশ্ৰুতি নিদিয়ক কিয়, অসমৰ চালকৰ নিৰাপত্তাক লৈ মেঘালয় চৰকাৰে লিখিত প্ৰতিশ্ৰুতি দিয়াৰ পিছতহে প্ৰতিবাদ স্থগিত ৰখাৰ সকীয়নি দিয়ে চালক সন্থাই। অসমৰ যাত্ৰীক প্ৰতিবাৰেই বিনা কাৰণত আক্ৰমণ কৰা মেঘালয়ৰ বিৰুদ্ধে চালক সন্থাই অব্যাহত ৰখা প্ৰতিবাদৰ মাজতে মেঘালয়লৈ ইন্ধন সৰবৰাহো বন্ধ ৰাখিছেনৰ্থ-ইষ্ট পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নে। আলোচনা সম্পূৰ্ণ নোহোৱালৈকে কোনো কাৰণতে ইন্ধনৰ টেংকাৰ লোড কৰা নহয় বুলি হুংকাৰ দিছে ইউনিয়নে। মেঘালয়ত শেহতীয়াকৈ সংঘটিত হোৱা আক্ৰমণৰ ঘটনাৰ পাছত চৰকাৰখনৰ ব্যৰ্থতাক তীব্ৰ ভাষাৰে গৰিহণা দি ইউনিয়নৰ সাধাৰণ সম্পাদক ৰমেন দাসে কয় যে পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত মেঘালয় চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। সেইবাবেই ইন্ধনৰ সৰবৰাহ বন্ধ ৰখা হৈছে। মেঘালয় প্ৰশাসনে কেইবাজনো দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰিছে যদিও বৰ্তমানো পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পৰা নাই। আমি ইন্ধন কঢ়িয়াবলৈ সাজু আছোঁ, কিন্তু পৰিস্থিতি সম্পূৰ্ণৰূপে স্বাভাৱিক হ'ব লাগিব। আজি যিটো পৰিস্থিতিৰ সৃষ্টি হৈছে, সেয়া এদিনতে হোৱা নাই। বাৰম্বাৰ এনে পৰিস্থিতি হৈ আহিছে। চৰকাৰে পূৰ্বৰে পৰা ব্যৱস্থা গ্ৰহণ কৰিলে হয়তো এনে অৱস্থাৰ সৃষ্টি নহ'লহেঁতেন। আমি নিজ চকুৰে দেখিছোঁ চৰকাৰী পক্ষৰ মানুহ সম্মুখত থকাৰ পাছতো গুণ্ডামি চলি আছিল। তেওঁলোকে ব্যৱস্থা গ্ৰহণ কৰাটো দূৰৰে কথা, প্ৰঁনতমো পদক্ষেপো হাতত নল'লে। এনে অৱস্থাত কি সাহসত ইন্ধনভৰ্তি গাড়ী মেঘালয়লৈ প্ৰেৰণ কৰিম? অকল লিখিত প্ৰতিশ্ৰুতি দিলেই নহ'ব, চৰকাৰে কেন্দ্ৰীয় নিৰাপত্তা বাহিনীৰ জৰিয়তে সুৰক্ষা প্ৰদান কৰিলেহে ইন্ধনৰ গাড়ী প্ৰেৰণ কৰিব পৰা যাব। ইপিনে মেঘালয়ত শেহতীয়াকৈ সৃষ্টি হোৱা হিংসাত্মক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নুমলীগড়

(দহ পৃষ্ঠাত চাওক)

## শিলিগুৰিত বিএছএফ-এছএছবিৰ শীৰ্ষ বিষয়াৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ মেগা বৈঠক




ৰঙিলী বাৰ্ত্তাসেৱা- শিলিগুৰিত এছএছবিৰ সৈতে মেগা বৈঠকত চিকেনছ নেকৰ নিৰাপত্তাক লৈ কঠোৰ বাৰ্তা দিলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। সীমান্তত যাতে অতি খৰতকীয়াকৈ কাঁইটীয়া তাঁৰৰ বেৰ বহুওৱা হয় তাৰো নিৰ্দেশ দিয়া হৈছে। পশ্চিমবংগত শেহতীয়াকৈ একাধিক পাক চোৰাংচোৱা ধৰা পৰিছে। উত্তৰ বংগৰ পৰা পাকিস্তানী চোৰাংচোৱাৰ সন্দেহত একাধিক ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে। চুবুৰীয়া

( তিনিপৃষ্ঠাত চাওক)

## গুৱাহাটীত মন্ত্ৰী অতুল বৰা-মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- তিনিদিন ধৰি অস্থিৰ হৈ আছে অসম মেঘালয়ৰ সীমান্তৱৰ্তী অঞ্চল। যোৱা ১৯ আগষ্টত শ্বিলঙত অসমৰ গাড়ী আৰু পৰ্যটকৰ ওপৰত চলোৱা আক্ৰমণৰ প্ৰতিবাদত অসম-মেঘালয় সীমান্তৱৰ্তী খানাপাৰা আৰু যোৰাবাটত অসমৰ টেক্সি চালক সন্থা, পৰিবহণ সন্থা আৰু বিভিন্ন জাতীয় দল-সংগঠনে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। ইফালে খাচি ছাত্ৰ সন্থা (কেএছইউ)ৰ প্ৰতিবাদে সৃষ্টি কৰা অসম-মেঘালয় সংঘাতে উদ্ভৱ কৰা পৰিস্থিতি চম্ভালিবলৈ অৱশেষত তিনি দিনৰ

( দুই পৃষ্ঠাত চাওক)

## যোৰাবাটত অব্যাহত থকা প্ৰতিবাদ সাময়িকভাবে প্ৰত্যাহাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসম-মেঘালয় সীমান্তৰ যোৰাবাটত কেব আৰু টেঁ চালকসকলে চলাই থকা প্ৰতিবাদ মন্ত্ৰী অতুল বৰাৰ আশ্বাসৰ পিছত সাময়িকভাৱে স্থগিত ৰখা হয়। মেঘালয় চৰকাৰৰ প্ৰতিশ্ৰুতিসমূহ মন্ত্ৰীগৰাকীয়ে প্ৰতিবাদকাৰী চালকসকলক অৱগত কৰাৰ লগতে শান্তি বৰাই ৰাখিবলৈ আহ্বান জনায়। উল্লেখ্য যে, কেব চালকৰ প্ৰতিবাদত তৃতীয়দিনাও উত্তপ্ত হৈ পৰে যোৰাবাট। মেঘালয়ৰ মুখ্য সচিব,

(দহ পৃষ্ঠাত চাওক)

## নীতিন নবীনৰ বৈঠকত ৰাষ্ট্ৰীয় গীতৰ মৰ্যাদা বৃদ্ধিৰ লক্ষ্যৰে ১০ দফীয়া প্ৰস্তাৱ গৃহীত




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তীত ১০ টা দফাৰ সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰিছে বিজেপিয়ে। 'বন্দে মাতৰম' প্ৰসংগত মহাত্মা গান্ধীৰ চিন্তাধাৰা আৰু তেওঁৰ বক্তব্যও সমগ্ৰ দেশতে প্ৰচাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বিজেপি দলটোৱে। শেহতীয়াকৈ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী কমিটীৰ বৈঠকত সিদ্ধান্ত লোৱা হৈছে যে দলীয় কাৰ্যসূচীত তেওঁলোকে 'বন্দে মাতৰম'ৰ প্ৰথম দুটা স্তৱকেই গাব। তাকে লৈ বিতৰ্ক তুংগত উঠিছে। এই

( দুই পৃষ্ঠাত চাওক)

# ইউক্ৰেইনত 'ডাব্ল টেপ' ড্ৰোন আক্ৰমণ ৰাছিয়াৰ



ৰঙিলী বাৰ্তাসেৱা- যোৱা ৪ বছৰৰধৰি চলি থকা ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ যুদ্ধখনে শেহতীয়াকৈ নতুন ৰূপ ধাৰণ কৰিছে। দুয়োখন দেশে পৰস্পৰৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণৰ প্ৰকোপ বৃদ্ধি পাইছে। ইয়াৰ মাজতে ৰুছ বাহিনীৰ ড্ৰোন আক্ৰমণৰ চিকাৰ হ'ল মধ্য ইউক্ৰেইনৰ চহৰ ক্ৰিভি ৰিহ। চহৰখনৰ এটা শ্বপিং মলত ৰুছ বাহিনীয়ে ভাৰতীয় সময় অনুসৰি শুকুৰবাৰে নিশা এক 'ডাব্ল টেপ' ড্ৰোন আক্ৰমণ চলায়। এই আক্ৰমণত মহিলা আৰু শিশুসহ কমেও ১৬জন লোক নিহত হয় বুলি জানিব পৰা গৈছে। আহতৰ সংখ্যা ১৩০ৰো অধিক বুলি কোৱা হৈছে। আহতসকলৰ ভিতৰত ২৩টা শিশুও আছে। ডিনিপ্ৰোপেট্ৰোভস্ক অঞ্চলৰ প্ৰশাসনিক মুৰব্বী আলেকজেণ্ডাৰ হানঝাই শনিবাৰে জনোৱা মতে এই আক্ৰমণৰ সময়ত শ্বপিং মলটোত থকা (দহ পৃষ্ঠাত চাওক)

# বিগত ২০ দিনত ভাৰতত ২০ টকাকৈ বৃদ্ধি পালে চেনিৰ দাম



ৰঙিলী বাৰ্তাসেৱা- বিগত ২০ দিনত ভাৰতত লক্ষণীয়ভাৱে বৃদ্ধি পাইছে চেনিৰ দাম। খুচুৰা বজাৰত প্ৰতি কেজি চেনিৰ দাম প্ৰায় ২০ টকা পৰ্যন্ত বৃদ্ধি পাইছে। দেশৰ বজাৰত চেনিৰ দাম বৃদ্ধিৰ আঁৰত ইথানল উৎপাদনৰ যোগসূত্ৰ আছে বুলি সৰ্বত্ৰ চলিছে চৰ্চা। এই দাবীক নস্যাৎ কৰিছে কেন্দ্ৰই। এটা বিবৃতিত কেন্দ্ৰই জনাইছে যে ইথানল উৎপাদনৰ বাবে ( তিনিপৃষ্ঠাত চাওক)

# গুৱাহাটীত মন্ত্ৰী অতুল বৰা-মেঘালয়ৰ

পাছত সদলবলে অসমলৈ আহিল মেঘালয় চৰকাৰ। মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী স্নিয়াৰভালং ধৰৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলৰ সৈতে অসম চৰকাৰৰ বৈঠকত গ্ৰহণ কৰা হ'ল এলানি গুৰুত্বপূৰ্ণ সিদ্ধান্ত। এই সিদ্ধান্ত অনুসৰি মেঘালয়ত প্ৰতিবাদৰ নামত কেএছইউৱে ক্ষতিসাধন কৰা বাহনসমূহৰ ক্ষতিপূৰণ প্ৰদান কৰিব চুবুৰীয়া ৰাজ্যখনে। ইয়াৰ বাবে মেঘালয়ৰ মুখ্য সচিবক ক্ষয়-ক্ষতিৰ খতিয়ান ল'বলৈও নিৰ্দেশ দিয়া হয়। তদুপৰি মেঘালয়ত হিংসাত্মক ঘটনা সংঘটিত কৰাসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱাৰ লগতে দুষ্কৃতিকাৰীক চিনাক্ত কৰিবলৈ এছআইটি গঠনৰো সিদ্ধান্ত লোৱা হয় দুয়োখন ৰাজ্যৰ উচ্চস্তৰীয় বৈঠকত। মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে বৈঠকৰ অন্তত প্ৰকাশ কৰা অনুসৰি হিংসাত্মক ঘটনাত জড়িত ৫ অভিযুক্তক চিনাক্ত কৰাৰ লগতে তিনি অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। আনহাতে এই সন্দৰ্ভত ১৫খন এজাহাৰ দাখিল কৰা হৈছে। ইয়াৰ পূৰ্বে শনিবাৰে পুৱাৰ ভাগত প্ৰতিবাদৰ মাজতে মেঘালয়ৰ প্ৰতিনিধি দলে কইনাধৰাস্থিত অতিথিশালাত উপস্থিত হৈ উচ্চস্তৰীয় বৈঠকখনত ভাগ লয়। মেঘালয়ৰ প্ৰতিনিধি দলটোক নেতৃত্ব দিয়ে উপ-মুখ্যমন্ত্ৰী এছ ধৰে আৰু ৰাজ্যখনৰ মুখ্য সচিব ড° ছাকিল পি আহমেদে। আনহাতে অসম চৰকাৰৰ নেতৃত্ব দিয়ে মন্ত্ৰী অতুল বৰাই। মন্ত্ৰী অতুল বৰাক সংগ দিয়ে ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটা, গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী, বিশেষ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান (বিশেষ শাখা) হীৰেন চন্দ্ৰ নাথ, আৰক্ষী মহাপৰিদৰ্শক (আইন-শৃংখলা) অখিলেশ কুমাৰ সিং, গুৱাহাটী আৰক্ষী আয়ুক্ত ড° পাৰ্থসাৰথি মহন্ত, পৰিবহণ বিভাগৰ আয়ুক্ত সচিব আকাশ দীপ, গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিব দেৱপ্ৰসাদ মিশ্ৰ , কামৰূপ জিলাৰ আযুক্ত স্বপ্নীল পাল, গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব মৃদুল কুমাৰ দাসৰ লগতে আন কেইবাজনো জ্যেষ্ঠ বিষয়াই। তিনি ঘণ্টাজোৰা এই বৈঠকত ১৯ আগষ্টত শ্বিলঙত অসমৰ পঞ্জীভুক্ত বাহনসমূহক লৈ সংঘটিত হোৱা দুৰ্ভাগ্যজনক ঘটনাৰ পৰৱৰ্তী সময়ত উদ্ভৱ হোৱা পৰিস্থিতিৰ বাবে পথ অৱৰোধ আৰু প্ৰতিবাদী কাৰ্যসূচী সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা হয়। এই আলোচনাকালতে দুয়োখন ৰাজ্যৰ স্বাভাৱিক পৰিস্থিতি অতি শীঘ্ৰে ঘূৰাই অনাৰ লগতে জনসাধাৰণ আৰু বাহনসমূহৰ নিৰাপত্তা তথা বাধাহীন চলাচল সুনিশ্চিত কৰাৰ ক্ষেত্ৰত যৌথ মত প্ৰকাশ কৰে। আলোচনাৰ অন্তত মন্ত্ৰী অতুল বৰা আৰু মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী এছ ধৰে যৌথ সংবাদ মেলৰ জৰিয়তে সমগ্ৰ ঘটনা সন্দৰ্ভত উল্লেখ কৰে যে মেঘালয়ৰ ঘটনাক লৈ ইতিমধ্যে ১৫খন এজাহাৰ দাখিল কৰা হৈছে আৰু ঘটনাৰে জড়িত তিনি অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। কেএছইউৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদকক মেঘালয় মেইণ্টেনেঞ্চ অৱ পাব্লিক অৰ্ডাৰ এক্ট প্ৰয়োগ কৰি গ্ৰেপ্তাৰ কৰা হৈছে। উক্ত ঘটনাৰ সৈতে জড়িত ৫জন মুখ ঢকা ব্যক্তিক চিনাক্ত কৰা হৈছে। আনহাতে মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি শ্বিলঙত সংঘটিত হিংসাত্মক ঘটনাৰ সৈতে জড়িত সকলো দুষ্কৃতিকাৰীক চিনাক্ত কৰিবলৈ এটা বিশেষ তদন্তকাৰী দল (এছআইটি) গঠন কৰা হ'ব। ১৯ আগষ্টত কেএছইউৰ আক্ৰমণত ৫৪খন বাহন ক্ষতিগ্ৰস্ত হোৱাৰ কথা স্বীকাৰ কৰি উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াকো কয় যে ইতিমধ্যে ৩,৭৭০ৰো অধিক অসমত পঞ্জীয়নভুক্ত বাহনক নিৰাপদে মেঘালয়ৰ পৰা অসমলৈ লৈ অহা হৈছে। আনহাতে মেঘালয়ত পূৰ্বে আবদ্ধ হৈ থকা অধিকাংশ যাত্ৰী আৰু বাহনসমূহৰ ভিতৰত প্ৰায় ৪০০-৫০০ বাহন আছে উমিয়াম হ্ৰদ অঞ্চলত। এই বাহনসমূহকো সুৰক্ষিতভাৱে অসমলৈ প্ৰেৰণ কৰা হ'ব। অহা ৪৮ ঘণ্টাৰ ভিতৰত সকলোধৰণৰ বাহনক সুৰক্ষিতভাৱে অসমলৈ ওভতাই পঠিওৱা হ'ব আৰু অসমলৈ উভতি আহিবলৈ বিচৰা প্ৰতিজন পৰ্যটক বা বাহনক নিৰাপদ এছকৰ্ট প্ৰদান কৰা হ'ব। এই বৈঠকতে দুয়োখন ৰাজ্যই দুগৰাকীকৈ শীৰ্ষ আৰক্ষী বিষয়াৰ নেতৃত্বত এক যৌথ সুৰক্ষা ব্যৱস্থা গঢ়াৰো সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি অসম আৰক্ষীৰ বিশেষ শাখাৰ মহাপৰিদৰ্শক এগৰাকী আৰু মেঘালয়ৰ মহাপৰিদৰ্শক পৰ্যায়ৰ বিষয়াৰ নেতৃত্বত এক যৌথ সমন্বয় ব্যৱস্থা আৰু নিৰ্দিষ্ট হেল্পলাইন স্থাপন কৰা হ'ব। এই হেল্পলাইন নম্বৰটো হ'ব-৯১৮১০১৪৮৮৮, ০৩৬১ ২৩৮১৫১১। ইয়াৰ উপৰি পৰিস্থিতি স্বাভাৱিক নোহোৱা পৰ্যন্ত এই সমন্বয় ব্যৱস্থা অব্যাহত থাকিব। একে সময়তে আন্তঃৰাজ্যিক সীমান্তত উদ্ভৱ হোৱা দৈনন্দিন সমস্যাসমূহ তৎকালীনভাৱে সমাধান কৰাৰ বাবে নংপোৰ উপায়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ আযুক্ত দুগৰাকীৰ নেতৃত্বত দুয়োখন জিলাৰ সমপৰ্যায়ৰ আৰক্ষী বিষয়াসকলক লৈ স্থায়ী জিলা পৰ্য্যায়ত যৌথ সমিতি গঠন হ'ব। বৈঠক সন্দৰ্ভত মন্ত্ৰী অতুল বৰাই সংবাদ মাধ্যমৰ আগত কয়- অসমৰ বাহনসমূহৰ ওপৰত চলা আক্ৰমণৰ ঘটনাক লৈ মেঘালয় চৰকাৰে দুখ প্ৰকাশ কৰিছে আৰু এনে ঘটনাৰ লগত জড়িত ব্যক্তিসকলক চিনাক্ত কৰি আইনী ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছে। ইতিমধ্যে প্ৰায় ৪ হাজাৰখন বাহন নিৰাপদে অসমলৈ আহিবলৈ সক্ষম হৈছে আৰু শ্বিলঙলৈ যোৱা ১৭৫ গৰাকী লোকে আৰক্ষীৰ সহায় বিচাৰিছে। ইফালে মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে আজি স্পষ্ট কৰে যে শ্বিলঙত অসমৰ লোকক আক্ৰমণৰ সময়ত যিসকল আঘাতপ্ৰাপ্ত হৈছে, তেওঁলোকৰ চিকিৎসাৰ ক্ষতিপূৰণ মেঘালয় চৰকাৰে বহন কৰিব। একেসময়তে ক্ষতিগ্ৰস্ত বাহনসমূহৰো ক্ষতিপূৰণ প্ৰদান কৰা হ'ব।

# নীতিন নবীনৰ বৈঠকত

সিদ্ধান্তৰ ব্যাখ্যা দিবলৈ গৈ মহাত্মা গান্ধীৰ প্ৰসংগ টানি আনে কংগ্ৰেছে। তেওঁলোকৰ বক্তব্য যে ১৯৩৭চনত কলকাতাত কংগ্ৰেছ বৰ্কিং কমিটীৰ বৈঠকত মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, সুভাষ চন্দ্ৰ বসু, চৰ্দাৰ বল্লভ ভাই পেটেলসহ শীৰ্ষ নেতাসকলে বন্দে মাতৰমৰ প্ৰথম দুটা স্তৱক গোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এইবাৰ কংগ্ৰেছক উত্তৰ দিবলৈ সেই মহাত্মা গান্ধীৰ বক্তব্যই প্ৰচাৰ কৰাৰ সিদ্ধান্ত ল'লে বিজেপিয়ে। তেওঁলোকে গ্ৰহণ কৰা প্ৰস্তাৱত কোৱা হৈছে যে মহাত্মা গান্ধীৰ বক্তব্য আছিল- সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভীষণভাৱে জাতীয়তাবাদী ভাবনাক উদ্বুদ্ধ এটা শ্লোগান 'বন্দে মাতৰম'। তেওঁৰ এই বক্তব্যক দেশজুৰি প্ৰচাৰ কৰাৰ সিদ্ধান্ত লৈছে বিজেপিয়ে। লগতে কংগ্ৰেছৰ শেহতীয়া ৰাষ্ট্ৰীয় বৰ্কিং কমিটীৰ বৈঠকত গৃহীত সিদ্ধান্তৰো নিন্দা কৰিছে বিজেপিয়ে। দলটোৰ সৰ্বভাৰতীয় সভাপতি নীতিন নবীনৰ নেতৃত্বত অনুষ্ঠিত এই বৈঠকত ৰাষ্ট্ৰীয় গীতৰ পূৰ্ণাংগ সংস্কৰণৰ মৰ্যাদা ৰক্ষাৰ বিষয়েও প্ৰস্তাৱ গৃহীত কৰা হৈছে। কংগ্ৰেছৰ দলীয় কাৰ্যসূচীত ৰাষ্ট্ৰীয় গীতৰ প্ৰথম দুটা স্তৱক গোৱাৰ সিদ্ধান্তৰ আৰম্ভণিৰে পৰাই বিৰোধিতা কৰি আহিছে বিজেপিয়ে। দলটোৰ ফালৰ পৰা জনোৱা হৈছে যে ৰাষ্ট্ৰীয় স্বাৰ্থত বা তোষণৰ বাবে 'বন্দে মাতৰম'ৰ মৰ্যাদা আৰু ঐতিহ্যৰ সৈতে কোনো আপোচকে সহ্য কৰা নহ'ব। এনে অৱস্থাত ৰাষ্ট্ৰীয় গীতৰ ইতিহাস আৰু গৌৰৱময় ঐতিহ্য দেশৰ প্ৰতিটো প্ৰান্তলৈ লৈ যাবলৈ বিশেষ প্ৰচাৰ কাৰ্যসূচী আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে বিজেপি নেতৃত্বই। উল্লেখ্য যে কেইদিনমান পূৰ্বে নতুনকৈ সজাই তোলা হৈছিল নীতিনৰ 'টীম'। এই টামটোক লৈয়ে শনিবাৰে বৈঠক অনুষ্ঠিত কৰিছিল তেওঁ। এই বৈঠকতে ৰাষ্ট্ৰীয় গীতৰ মৰ্যাদা বৃদ্ধিৰ লক্ষ্যৰে ১০ দফীয়া প্ৰস্তাৱ গৃহীত হয়। বৈঠকৰ শেষত এই দহদফীয়া প্ৰস্তাৱৰ কথা সামাজিক মাধ্যমত উল্লেখ কৰি বিজেপিৰ সৰ্বভাৰতীয় সভাপতিগৰাকীয়ে লিখে- 'ই (বন্দে মাতৰম) কেৱল কোনো এটা ৰাজনৈতিক দলৰ বিষয় নহয়। ই দেশৰ সন্মান আৰু স্বাধীনতাৰ বাবে আত্মত্যাগ কৰা অসংখ্য দেশপ্ৰেমীৰ সৈতে জড়িত হৈ আছে।' তেওঁ আৰু লিখে- 'বন্দে মাতৰম শব্দটো এসময়ত ইমানেই শক্তিশালী আছিল যে সি এটা সাম্ৰাজ্যক ভয় খুৱাই দিছিল। ব্ৰিটিছে ইয়াক অবদমিত কৰি ৰাখিবলৈ বিচাৰিছিল। কাৰণ, ই প্ৰতিৰোধৰ চেতনাক জাগ্ৰত কৰিছিল। ভাৰতীয়সকলৰ ওচৰত ই স্বাধীনতা, আত্মত্যাগ আৰু দেশৰ গৌৰৱৰ মন্ত্ৰ। এই ঐতিহ্যক ভোটবেংকৰ ৰাজনীতিৰ হিচাপ-নিকাচৰ গণ্ডীত আবদ্ধ কৰি ৰাখিব পৰা নাযায়।'এই ১০ টা দফাৰ সংকল্পৰ মূল উদ্দেশ্য হৈছে ৰাষ্ট্ৰীয় সংহতি সুদৃঢ় কৰা, ইতিহাসৰ সঠিক তথ্য নৱপ্ৰজন্মৰ আগত দাঙি ধৰা আৰু স্বাধীনতা সংগ্ৰামৰ এই মহৎ গীতটিৰ প্ৰকৃত অৰ্থ পুনৰুজ্জীৱিত কৰা। বিজেপিয়ে প্ৰস্তাৱত বন্দে মাতৰমক ভাৰতৰ ৰাষ্ট্ৰীয় চেতনা আৰু স্বাভিমানৰ প্ৰতীক হিচাপে অভিহিত কৰিছে। এই সংকল্প কাৰ্যসূচীৰ অংশ হিচাপে বিজেপিয়ে দেশজুৰি ৰাষ্ট্ৰীয় পৰ্যায়ত সজাগতা সভা, যুৱ সন্মিলন আৰু সাংস্কৃতিক কাৰ্যসূচী আয়োজনৰ সিদ্ধান্ত লৈছে। অভিযানৰ জৰিয়তে বিজেপিৰ কৰ্মকৰ্তাসকলে দেশৰ চুকে-কোণে বন্দে মাতৰমৰ সাংস্কৃতিক আৰু ঐতিহাসিক গুৰুত্ব সম্পৰ্কে ৰাইজক অৱগত কৰিব।

# আন্দোলনৰ নামত অসমৰ বাহনসমূহক কিয় লক্ষ্য কৰি ল'লে, সেয়া চিন্তনীয় বিষয়



ৰঙিলী বাৰ্তাসেৱা- শুকুৰবাৰেও উত্তপ্ত হৈ আছে অসম-মেঘালয় সীমান্ত। দুয়োখন ৰাজ্যৰ গাড়ী চালকৰ অৰ্থনৈতিক অৱৰোধৰ বাবে দুদিন ধৰি উত্তপ্ত হৈ আছে যোৰাবাট অঞ্চল। সমগ্ৰ বিষয়টো মেঘালয় চৰকাৰৰ সৈতে আলোচনাৰ মাধ্যমেৰে মীমাংসাৰ বাবে ইতিমধ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব অৰ্পণ কৰিছে সীমান্ত অঞ্চল উন্নয়ন মন্ত্ৰী অতুল বৰাক। দুয়োখন ৰাজ্যৰ মাজত সংঘাত তীব্ৰতৰ হৈ পৰিছে। এনে পৰিস্থিতিত দুয়োখন ৰাজ্যৰ পৰিৱেশ স্বাভাৱিক কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে আলোচনাত মিলিত হোৱাৰ পিছত মন্ত্ৰী অতুল বৰায়ো মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীৰ সৈতে বিষয়টো সন্দৰ্ভত আলোচনাত মিলিত হৈছে। এই সন্দৰ্ভত শুকুৰবাৰে সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত মন্ত্ৰী অতুল বৰাই কয়, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে বিষয়টো সন্দৰ্ভত আলোচনা চলি আছে। যিহেতু অসম-মেঘালয়ৰ যুগমীয়া ( চাৰিপৃষ্ঠাত চাওক)

# দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী-শিক্ষামন্ত্ৰীক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- প্ৰায় ১০দিনীয়া কাৰ্যসূচীৰে দিল্লীত উপস্থিত হোৱা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰে। ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিক লৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সৈতে আলোচনাত মিলিত হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজধানীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰি শেহতীয়া বানে ৰাজ্যত সৃষ্টি কৰা পৰিৱেশ সন্দৰ্ভত বিস্তৃত তথ্য অৱগত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই বানৰ ক্ষয়-ক্ষতিৰ মূল্যায়ন আৰু ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পুনৰ নিৰ্মাণ, জীৱিকাৰ ব্যৱস্থা পুনৰুদ্ধাৰৰ বাবে প্ৰস্তুত কৰা ৰোডমেপ আদিৰ বিষয়েও সবিশেষ অৱগত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে হোৱা সাক্ষাতৰ বিষয়ে সামাজিক মাধ্যমযোগে সবিশেষ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- মাননীয়া শ্ৰীমতী নিৰ্মলা সীতাৰমন (দহ পৃষ্ঠাত চাওক)

# সন্তান জন্ম দিব পৰা ক্ষমতা হ্ৰাসৰ বাবেই বিদ্যালয়ত কমিছে শিক্ষাৰ্থীৰ সংখ্যা




ৰঙিলী বাৰ্তাসেৱা- খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত ৰাজ্যৰ আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীক পুনৰ বিদ্যালয়মুখী কৰাৰ পদক্ষেপ হিচাপে শিক্ষা বিভাগে সমগ্ৰ শিক্ষাৰ অধীনত 'শিক্ষা যাত্ৰাঃ প্ৰত্যাহ্বানৰ পৰা প্ৰত্যাশালৈ' শীৰ্ষক এক কাৰ্যসূচীৰ শুভাৰম্ভ কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস হৈছে। মাথোঁ অসমতে নহয় সমগ্ৰ দেশত শিক্ষাৰ্থী হ্ৰাস পাইছে। ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ 'ক' শ্ৰেণীত ২৫ হাজাৰ শিক্ষাৰ্থী হ্ৰাস হৈছে। বিপৰীতে নিম্ন প্ৰাথমিক বিদ্যালয়ত ১৫ হাজাৰ শিক্ষাৰ্থী হ্ৰাস পাইছে। ইয়াৰ অন্যতম কাৰণ ৰূপে চিহ্নিত হৈছে ৰাজ্যৰ মহিলাসকলৰ সন্তান জন্ম দিব পৰা ক্ষমতা হ্ৰাস হৈছে। কম পৰিয়াল সুখী পৰিয়াল ৰূপে গ্ৰহণ কৰিছে। চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস হোৱাৰ আঁৰৰ প্ৰকৃত কাৰণ এইদৰেই ব্যাখ্যা কৰিলে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। ২০২৬-২৭ বিত্তীয় বৰ্ষত বিদ্যালয়বহিৰ্ভূত শিশুৰ চিনাক্তকৰণ আৰু নামভৰ্তিৰ কাৰ্যসূচী অধিক শক্তিশালী আৰু ব্যাপকভাৱে ৰূপায়ণ কৰাৰ বাবে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। উল্লেখ্য সমগ্ৰ শিক্ষা বিভাগে দিয়া তথ্য মতে PLFS Survey ২০২৫ অনুসৰি অসমৰ ১৪-১৮ বছৰ বয়সৰ বিদ্যালয়বহিৰ্ভূত শিশুৰ সংখ্যা ৪, ৫২, ৩২১। বৰ্তমান সমগ্ৰ ৰাজ্যতে ৬০টা আৱাসিক আৰু ২০৯৪টা অনাৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে বিদ্যালয় আধাতে এৰা অথবা বিদ্যালয়মুখী নোহোৱা শিশুক বিদ্যালয়মুখী কৰাৰ প্ৰশিক্ষণ দিয়া হয়। মন্ত্ৰীগৰাকীয়ে আৰু কয় আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰী বিচাৰি উলিয়াবলৈ ২৬০০ শিক্ষাসেৱকক প্ৰশিক্ষণ দিয়া হ'ব। ইফালে সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে আজিৰ তাৰিখত ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ প্ৰায় ৫ লাখতকৈ অধিক আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰী আছে বুলি প্ৰকাশ কৰে। তেওঁ কয় যে ইউ ডাইছ, শিক্ষাসেতু, অংগনৱাড়ী কেন্দ্ৰসমূহৰ তথ্যমতে ৫ লাখ শিক্ষাৰ্থীয়ে আদবাটতে শিক্ষা এৰিছে। অংগনাৱাড়ী কেন্দ্ৰৰ পৰা এশ শতাংশ ছাত্ৰৰ ছাত্ৰী ক্লাছ ৱানলৈ অহা নাই। স্কুললৈ অহাৰ পথত হেৰাইছে বহু শিক্ষাৰ্থী। একেদৰে প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চ প্ৰাথমিক বিদ্যালয়লৈ যোৱাৰ পথত বহু শিক্ষাৰ্থী হেৰাইছে। বিদ্যালয়ত শিক্ষা গ্ৰহণ (দহ পৃষ্ঠাত চাওক)

# বিগত ২০ দিনত ভাৰতত

কুঁহিয়াৰৰ চাহিদা বৃদ্ধি পোৱাত চেনিৰ দাম বাঢ়িছে বুলি কৰা দাবী সঠিক নহয়। সামাজিক মাধ্যমৰ জৰিয়তে গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰণালয়ে কয়, চেনিৰ দামৰ সাম্প্ৰতিক বৃদ্ধিত ইথানল সৈতে কোনো সংযোগ নাই । ইথানলৰ বাবে ডাইভাৰ্ট কৰা চেনিৰ অংশ ২০২২-২৩ চনত প্ৰায় ১২%ৰ পৰা ২০২৫-২৬ চনত প্ৰায় ৯%লৈ হ্ৰাস পাইছে। তদুপৰি এতিয়া দেশত উৎপাদিত ইথানলৰ প্ৰায় তিনি চতুৰ্থাংশ শস্যৰ পৰা বিশেষকৈ কুঁহিয়াৰৰ পৰা আহে। মন্ত্ৰণালয়ে লগতে কয়, বৰ্তমান চেনিৰ মূল্য বৃদ্ধিৰ কাৰণ হৈছে আশা কৰাতকৈ ঘৰুৱা উৎপাদন হ্ৰাস। উৎসৱৰ বতৰৰ আগত চাহিদা বৃদ্ধি, বতৰৰ বাবে কুঁহিয়াৰ খেতি নষ্ট, বিশ্বজুৰি চেনিৰ যোগান বৃদ্ধি আদি কাৰকৰ বাবে চেনিৰ মূল্য বৃদ্ধি পাইছে। বৰ্তমান ঋতুত চেনিৰ উৎপাদন প্ৰায় ৩০৬ এলএমটি হ'বৰ আশা কৰা হৈছে। শেহতীয়া তথ্যত কোৱা হৈছে যে খুচুৰা বজাৰত চেনিৰ দাম হোৱাহোৱে বৃদ্ধি পাইছে। ২০ জুলাইত প্ৰতিকেজি চেনিৰ গড় খুচুৰা দাম আছিল ৪৮.১৮ টকা। যি ২০ আগষ্টত বাঢ়ি হয়গৈ ৫৫.৭০ টকা। তেওঁলোকে লগতে কয়, "চেনিৰ যোগান কটকটীয়া কৰাটো বিশ্বব্যাপী এক পৰিঘটনা আৰু ই কেৱল ভাৰততে সীমাবদ্ধ নহয়। ২০২৬-২৭ চনৰ বাবে বিশ্বজুৰি চেনিৰ ঘাটি প্ৰায় ৩৩ এল এম টি বুলি অনুমান কৰা হৈছে । বতৰৰ পৰিস্থিতিক লৈ উদ্বেগে বিশ্বৰ দৃষ্টিভংগীত আৰু অধিক প্ৰভাৱ পেলাইছে। ফলত আন্তঃৰাষ্ট্ৰীয় চেনিৰ মূল্য ২০২৬ চনৰ ৩০ জুনত প্ৰতি টনত ৪৭৪ ডলাৰৰ পৰা ২০২৬ চনৰ ২০ আগষ্টত প্ৰতি টনত ৫৫২ ডলাৰলৈ তীব্ৰভাৱে বৃদ্ধি পাইছে । দুমাহতকৈও কম সময়ত ১৬%তকৈ অধিক বৃদ্ধি হৈছে চেনিৰ মূল্য ।" কেন্দ্ৰৰ নতুন নিৰ্দেশত কোৱা হৈছে যে বৃহৎ বৃহৎ চেনি ব্যৱসায়ী বা মজুতকাৰীসকলে ১৫ দিনতকৈ বেছি দিন চেনি গুদামত ৰাখি থ'ব নোৱাৰিব। মোদী চৰকাৰৰ নতুন নিৰ্দেশনাত কোৱা হৈছে যে যিসকল ব্যৱসায়ীয়ে মাহে ১০ মেট্ৰিক টনৰ বেছি চেনি বেচা-কিনা কৰে, তেওঁলোকে প্ৰতি ১৫ দিনৰ ভিতৰত নিজৰ গুদামত মজুত সকলো চেনি বজাৰলৈ উলিয়াই দিব লাগিব। তাক নিশ্চিত কৰিবলৈ ১৫ দিনৰ মূৰে মূৰে অভিযান চলাব চৰকাৰে। অহা ১ ছেপ্টেম্বৰৰ পৰা এই নিয়ম প্ৰৱৰ্তন হ'ব। এই নিয়ম চলি থাকিব অহা ৩০ নৱেম্বৰ অৰ্থাৎ উৎসৱৰ বতৰ শেষ হোৱালৈকে।

# শিলিগুৰিত বিএছএফ

দেশ নেপালত ভাৰতৰ বিৰুদ্ধে ফন্দি ৰচনাৰ চক্ৰান্ত কৰা হৈছিল। চোৰাংচোৱা সূত্ৰৰ পৰা লাভ কৰা হৈছিল সেই তথ্য। ফলত, শিলিগুৰি কৰিড'ৰৰ নিৰাপত্তাত অলপো ত্ৰুটি ৰখা হোৱা নাই বুলি খবৰত প্ৰকাশ। শনিবাৰে শিলিগুৰিত চিকেন নেকৰ নিৰাপত্তাক লৈ বৈঠক অনুষ্ঠিত কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীও এই বৈঠকত উপস্থিত আছিল। তদুপৰি, এছএছবি, বিএছএফৰ বিষয়াসকলৰ লগতে ৰাজ্যিক আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকলো উপস্থিত আছিল। বৈঠকত ট্ৰায়েংগুলাৰ ছিকিউৰিটী গ্ৰিডৰ নিৰাপত্তাক লৈ বাৰ্তা দিয়া হয়। কোনো প্ৰকাৰে যাতে অনুপ্ৰৱেশ হ'ব নোৱাৰে, সেই নিৰ্দেশ দিয়ে অমিত শ্বাহে। সীমান্তৰ সুৰক্ষাৰ তদাৰকী কৰে এছএছবিয়ে। সেই তদাৰকী যাতে আৰু নিখুঁতভাৱে চলে তাৰো বাৰ্তা দিয়া হয়। পশ্চিমবংগত শাসন সলনিৰ পিছত সীমান্ত সুৰক্ষাত বৃহৎ পদক্ষেপ গ্ৰহণ কৰা হৈছে। নতুন ৰাজ্য চৰকাৰখনে ক্ষমতালৈ অহাৰ ৪৫ দিনৰ ভিতৰতে প্ৰশাসনিক তৎপৰতাৰে বাহিনীৰ হাতত ১১২৯ একৰ ভূমি হস্তান্তৰ কৰিছে। তেনেদৰে আৰু ২৯ একৰ ভূমিৰ অনুমোদনৰ কাম দ্ৰুত প্ৰক্ৰিয়াৰে চলি আছে। ফলত, সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ বহুওৱাৰ কাম যাতে খৰতকীয়াকৈ সমাপ্ত হয়, সেই বাৰ্তা আৰু এবাৰ দিয়া হৈছে। চিকেন নেক অৰ্থাৎ শিলিগুৰি কৰিড'ৰৰ নিশ্ছিদ্ৰ নিৰাপত্তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। কোনো প্ৰকাৰে যাতে অনুপ্ৰৱেশ ঘটিব নোৱাৰে তাৰ বাবে বহুওৱা হ'ব অত্যাধুনিক তিনিতৰপীয়া ফেঞ্চিং অৰ্থাৎ স্মাৰ্ট কাঁইটীয়া তাঁৰৰ বেৰ।

# নতুন দিল্লীত প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- বৃহস্পতিবাৰে নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী শৰ্মাই প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যখনৰ বান পৰিস্থিতি, ক্ষতিগ্ৰস্ত লোকক উদ্ধাৰৰ প্ৰচেষ্টা আৰু উন্নয়নৰ কাৰ্যসূচী সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বন্যাৰ্তৰ পুনৰ সংস্থাপনৰ লগতে ৰাজ্যৰ সামগ্ৰিক উন্নয়ন কাৰ্যসূচী সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই বৈঠকত প্ৰধানমন্ত্ৰী মোদীৰ পৰামৰ্শ বিচাৰে। সেৱা তীৰ্থস্থিত নৱনিৰ্মিত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত হোৱা সাক্ষাৎকালত মুখ্যমন্ত্ৰী ড°শৰ্মাই প্ৰধানমন্ত্ৰী মোদীক অসমৰ বান সঁহাৰি অভিযানৰ পৰৱৰ্তী পৰ্যায়ৰ ৰূপৰেখা সন্দৰ্ভত বিশদভাৱে অৱগত কৰে। বৈঠকত অতিকৈ ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ পুনৰ্নিৰ্মাণ, দুৰ্যোগগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপন আৰু এক সামগ্ৰিক পুনৰুদ্ধাৰ প্ৰক্ৰিয়া নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা ( দহ পৃষ্ঠাত চাওক)

# অন্বেষাক ড্ৰাগছ যোগান ধৰা অংকিত দাসক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাটত যুৱতীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত ক্ৰমাৎ দীঘলীয়া হৈ আহিছে অভিযুক্তৰ তালিকা। ইতিপূৰ্বে মূল অভিযুক্ত আৰিয়ান গোস্বামী, অৰ্পিতা আৰু মনালিছাক গ্ৰেপ্তাৰ কৰাৰ পিছত যোৱানিশা অংকিত দাস নামৰ আন এজন যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। নিশা অভিযান চলাই যোৰহাটৰ মিলন নগৰৰ পৰা অংকিত দাসক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে । সম্প্ৰতি অংকিত দাসক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে । স্বাধীনতা দিৱসৰ দিনা সংঘটিত ঘটনাটোৰ পিছৰে পৰা অংকিত দাস পলাতক আছিল ।ইতিপূৰ্বে গ্ৰেপ্তাৰ কৰা তিনি অভিযুক্তই অন্বেষাক নগৰৰ দহাবৰাচুকৰ গৌৰী এনক্লেভৰ বি-২ ফ্লেটলৈ অন্বেষাক লৈ অহাৰ লগতে ড্ৰাগছ যোগান ধৰিছিল বুলি আৰক্ষী আৰু সংবাদ মাধ্যমত স্পষ্টকৈ স্বীকাৰ কৰিছিল। কিন্তু আজি এই ঘটনা সন্দৰ্ভত মুখ খোলা নাই ধৃত অংকিত দাসে। ( নপৃষ্ঠাত চাওক)

# নগাঁও উপ-নিৰ্বাচনক লৈ ৰাজ্যিক বিজেপিৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ বাজপেয়ী ভৱনত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। নগাঁও লোকসভা সমষ্টিৰ দায়িত্বত থকা মন্ত্ৰী পীযূষ হাজৰিকাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত সমষ্টিটোত দলৰ জয়ক লৈ কেইবাটাও গুৰুত্বপূৰ্ণ সাংগঠনিক সিদ্ধান্ত গ্ৰহণ কৰে বিজেপিয়ে। উল্লেখ্য যে নগাঁও কংগ্ৰেছী সাংসদ প্ৰদ্যুৎ বৰদলৈৰ পদত্যাগৰ পাছতে খালী হৈ পৰা সমষ্টিটোত ছেপ্টেম্বৰ মাহত উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। পূৰ্বে বিজেপিৰ দখলত থকা সমষ্টিটো ২০১৯ আৰু ২০২৪ চনত একেলেথাৰিয়ে কংগ্ৰেছ জয়যুক্ত হৈছে। এনে অৱস্থাত সমষ্টিটো দখলৰ বাবে এইবাৰ বিজেপিয়ে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা নগাঁও সমষ্টিটোত বিজেপি দলৰ জয়ৰ সম্ভাৱনাক লৈ এতিয়াও নিশ্চিত নহয় শাসকীয় দলটো। বিগত সময়ছোৱাত মন্ত্ৰী পীযূষ হাজৰিকাই সংসদীয় সমষ্টিটোৰ কেইবাটাও বিধানসভা সমষ্টিত সাংগঠনিক সভা অনুষ্ঠিত কৰি দলৰ কাম-কাজ অব্যাহত ৰাখিছে। বৈঠকত মন্ত্ৰী হাজৰিকাই নগাঁও সমষ্টিৰ ৰাজনৈতিক বিভিন্ন দিশসমূহ ৰাজ্যিক নেতৃত্বক অৱগত কৰাৰ লগতে সমষ্টিসমূহত ভোটাৰক আকৰ্ষিত কৰাৰ বাবে কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা উচিত, সেই সন্দৰ্ভতো বিস্তৃত ব্যাখ্যা কৰে। ইফালে বৈঠকৰ পাছতে মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয়- বিজেপিয়ে যি নিৰ্বাচনতে প্ৰতিদ্বন্দ্বিতা নকৰক কিয়, প্ৰতিটো নিৰ্বাচনকে গুৰুত্বসহকাৰে গ্ৰহণ কৰে। নগাঁৱৰ উপ-নিৰ্বাচনক লৈ প্ৰত্যাহ্বান আছে, কিন্তু আমি যুঁজিম। আমাৰ লক্ষ্য কঠিন, সেয়েহে আমি বহি নাথাকো। এই উপ-নিৰ্বাচনক দলে গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে। আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হৈছে যে এই উপ-নিৰ্বাচনক দলে যথেষ্ট গুৰুত্বসহকাৰে লৈ জয়লাভ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হাত শক্তিশালী কৰা হ'ব। বৈঠকত কেনেকৈ অহা এমাহৰ ভিতৰত দলৰ সাংগঠনিক দিশ শক্তিশালী কৰা হ'ব সেই বিষয়ত আলোচনা কৰাৰ লগতে দলৰ বিষয়ববীয়া আৰু নেতৃত্বই কিধৰণে কাম কৰিব, সেই বিষয়ে আলোচনা কৰা হয়।

# প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ ভূমি দখল



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাক্তন মুখ্যমন্ত্ৰীৰ সম্পত্তিৰ ওপৰতো চকু পৰিছে ভূ-মাফিয়াৰ। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ ভূমি দখলৰ চেষ্টা চলাই ৰঙাঘৰৰ আলহী হ'ল ৮জনকৈ ভূ-মাফিয়া। উল্লেখ্য যে মহানগৰীৰ হাতীগাঁৱৰ অন্তৰ্গত সুন্দৰবন নগৰৰ বালিজান পথত থকা প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্তৰ ২৮ বিঘা মাটি দীৰ্ঘদিনৰ পৰা বেদখল কৰাৰ চেষ্টা চলাইছিল এটা ভূ-মাফিয়াৰ দলে। বিষয়টো সন্দৰ্ভত অৱগত হোৱাৰ লগে লগে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ পত্নী জয়শ্ৰী গোস্বামী মহন্তই হাতীগাঁও থানাত এখন এজাহাৰ দাখিল কৰে। জয়শ্ৰী গোস্বামী মহন্তৰ এজাহাৰৰ ভিত্তিত হাতীগাঁও আৰক্ষীয়ে ১৭২/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখি ৮টা দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰে। ধৃত দুৰ্বৃত্তকেইটা হৈছে ক্ৰমে দক্ষিণগাঁৱৰ আখতাৰ হুছেইন, গোৱালপাৰাৰ নুৰ জামাল মিঞা, বৰপেটাৰ মনোৱাৰ আলী, ভগদত্তপুৰৰ ইমদাদুল চৌধুৰী, ছয়মাইলৰ মিজান আলী, বৰপেটাৰ মজিবুৰ ৰহমান, বেহাৰবাৰীৰ অজয় আলী আৰু হাতীগাঁৱৰ মিৰাজুল আলী। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, জয়শ্ৰী গোস্বামী মহন্তৰ এজাহাৰৰ পাছতে হাতীগাঁও আৰক্ষীৰ এটা দলে তদন্তৰ বাবে তাত উপস্থিত হোৱাত ভূ-মাফিয়াৰ দলটোৱে আৰক্ষীৰ দলটোকো আক্ৰমণ কৰে। তাৰ পাছতে আৰক্ষীয়ে ধৃত ৮ অভিযুক্তক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰে। আদালতে দলটোৰ অন্যতম অভিযুক্তদ্বয় ক্ৰমে মিৰাজুল আলী আৰু মজিবুৰ ৰহমানক ৫ দিনৰ আৰক্ষী জিম্মাত দিয়াৰ লগতে বাকী ৬জনক জে'ললৈ প্ৰেৰণ কৰে।

# আন্দোলনৰ নামত

সম্পৰ্ক আছে । তেনেক্ষেত্ৰত কোনো লোকৰ বাবে দুয়োখন ৰাজ্যৰ ৰাইজে যাতে কোনো ভুল সিদ্ধান্ত নলয় তাৰ বাবে আহ্বান জনাইছো । মন্ত্ৰী অতুল বৰাই সংবাদ মাধ্যমৰ আগত শেহতীয়া আলোচনা সন্দৰ্ভত উল্লেখ কৰে যে প্ৰতিবাদৰ নামত অসমৰ যান-বাহনৰ ওপৰত যি আক্ৰমণৰ লক্ষ্য কৰি লৈছে, সেয়া দুৰ্ভাগ্যজনক। বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই গভীৰ উদ্বেগ প্ৰকাশ কৰি ইতিমধ্যে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সৈতে আলোচনাত মিলিত হৈছে আৰু পৰিস্থিতি স্বাভাৱিক কৰাৰ বাবে দুয়োখন চৰকাৰে সহযোগিতাৰে কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শিলঙৰ ঘটনাক লৈ মুখ্যমন্ত্ৰী ড°শৰ্মাই পৰিস্থিতি স্বাভাৱিক কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণৰ বাবে ইতিমধ্যে মোক দায়িত্ব অৰ্পণ কৰিছে। সেই নিৰ্দেশমৰ্মে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে বিষয়টো সন্দৰ্ভত আলোচনা কৰা হয় আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী স্নিয়াৰভালং ধৰক মোৰ সৈতে যোগাযোগৰ বাবে নিৰ্দেশ প্ৰদান কৰে। সেইমৰ্মে মিয়াৰভালং ধৰৰ সৈতে আমাৰ যোগাযোগ অব্যাহত আছে। মন্ত্ৰী অতুল বৰাই ইয়াকো উল্লেখ কৰে যে শেহতীয়া পৰিস্থিতিৰ পাছত অসমৰ পৰ্যটক অথবা লোক ক'ত ক'ত আবদ্ধ হৈ আছে, সেই সম্পৰ্কে সবিশেষ লোৱা হৈছে আৰু এই লোকসকলৰ যাতে কোনোধৰণৰ অপকাৰ নহয়, সুৰক্ষিত হৈ থাকে সেই বিষয়ে ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰা হৈছে। শেহতীয়া ঘটনা সন্দৰ্ভত মন্ত্ৰী অতুল বৰাই ইয়াকো স্পষ্ট কৰে যে দুয়োখন ৰাজ্যৰ মাজত থকা সু-সম্পৰ্ক এনেবোৰ ঘটনাৰ বাবে যাতে বিনষ্ট নহয়, এই বিষয়টোৰ ওপৰত দুয়োখন ৰাজ্যই সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰী অতুল বৰাই ইয়াৰ বাবে দুয়োখন ৰাজ্যৰ জনসাধাৰণক আৰু প্ৰতিবাদকাৰীসকলক আহ্বান জনাই কয়- কিছু ভুলৰ বাবে দুয়োখন ৰাজ্যৰ জনসাধাৰণে আশা নকৰা ঘটনা সংঘটিত হৈছে। ইয়াৰ বাবে মুখ্য সচিব পৰ্যায়ত, আৰক্ষী সঞ্চালক পৰ্যায়ত দুয়োখন ৰাজ্যৰ যোগাযোগ চলি আছে। অসমৰ পৰ্যটকসকলক সুৰক্ষিত কৰি ৰখাৰ নিশ্চয়তা প্ৰদান কৰিছে মেঘালয় চৰকাৰে আৰু এই লোকসকলক সুৰক্ষিতভাৱে অসমলৈ অনাৰ ক্ষেত্ৰত সহযোগিতাৰো আশ্বাস দিছে চৰকাৰখনে। ইতিমধ্যে অসম আৰক্ষীয়ে আবদ্ধ পৰ্যটকসকলৰ বাবে হেল্পলাইন নম্বৰো মুকলি কৰিছে। অতুল বৰাই ১৯ আগষ্টৰ ঘটনা সন্দৰ্ভত ইয়াকো স্পষ্ট কৰে যে শেহতীয়া ঘটনা মেঘালয়ৰ আভ্যন্তৰীণ ঘটনা। কেতবোৰ দাবীৰে কেএছইউ-এ উলিওৱা বাইক ৰেলীয়ে সৃষ্টি কৰে অন্য এক অপ্ৰীতিকৰ ঘটনা। তেওঁলোকে অসমৰ বাহনসমূহক কিয় লক্ষ্য কৰি ল'লে, সেয়া চিন্তনীয় বিষয়। মই আশা কৰোঁ যে অতি সোনকালে এই বিষয়ে দুয়োখন চৰকাৰে এক সহমতত উপনীত হ'বলৈ সক্ষম হ'ব।

# ৰূপনগৰত কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰে গুৱাহাটী মহানগৰীৰ ৰূপনগৰত নিৰ্মাণ কৰা কামৰূপ মহানগৰ জিলাৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয় ভৱনৰ শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । প্ৰায় ১২, ৭০০ বৰ্গকিলোমিটাৰ এলেকা সামৰি ৮১.২০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা জিলা আয়ুক্তৰ এই সংহত কাৰ্যালয়টোৰ জৰিয়তে কামৰূপ মহানগৰ জিলাৰ প্ৰশাসনিক দিশ শক্তিশালী কৰাই নহয়, সাধাৰণ ৰাইজৰ সমস্যা সমাধানৰো বিশেষ লক্ষ্য স্থিৰ কৰা হৈছে। তিনিমহলীয়া ভৱনটো ভৱিষ্যতে প্ৰয়োজন অনুসৰি আৰু দুটা মহলালৈ সম্প্ৰসাৰণ কৰাৰ ব্যৱস্থাও ৰখা হৈছে । সেউজ শক্তিক প্ৰাধান্য দি এই ভৱনত ৩৫০ কিলোৱাট ক্ষমতাৰ সৌৰ শক্তি ব্যৱস্থা সংস্থাপন কৰা হৈছে, য'ত অতিৰিক্ত আৰু ১০০ কিলোৱাট বিদ্যুৎ সংযোজন কৰাৰ সুবিধাও মুকলি ৰখা হৈছে । উল্লেখ্য যে ২০২৩ চনৰ ৫ জানুৱাৰীত বিকাশৰ বাবে এদিন কাৰ্যসূচীৰ অন্তৰ্গত ৰূপনগৰত জিলা আয়ুক্তৰ সংহত কাৰ্যালয় ভৱনটো নিৰ্মাণৰ শিলান্যাস কৰা হৈছিল। এই উদ্বোধনী অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এসময়ত পাণবজাৰত থকা কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়তো যথেষ্ট সৰু আছিল আৰু ব্ৰহ্মপুত্ৰৰ নদীৰ পাৰ মুকলি কৰাৰ স্বাৰ্থত ইয়াক সাময়িকভাবে হেঙেৰাবাৰীলৈ স্থানান্তৰ কৰা হৈছিল। ২০২৩ চনৰ ৫ জানুৱাৰীত পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খুৱাই ৰূপনগৰত এটা আহল-বহল সংহত জিলা আয়ুক্তৰ কাৰ্যালয় নিৰ্মাণৰ শিলান্যাস কৰা হয়। বিকাশৰ বাবে এদিন কাৰ্যসূচীৰ অধীনত কামৰূপ মহানগৰ জিলাৰ প্ৰায় ২ হাজাৰ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া ৭টা প্ৰকল্পৰ শিলান্যাস কৰা হৈছিল। এই প্ৰকল্পকেইটাৰ ভিতৰত খাৰঘুলিত নিৰ্মাণ কৰা নতুন ৰাজভৱন, খানাপাৰাত নিৰ্মাণ কৰা আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱন, ৫ হাজাৰ আসনবিশিষ্ট জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলাকেন্দ্ৰ আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ চৌহদত নিৰ্মাণ কৰা ৮০০ আসনবিশিষ্ট শ্ৰী শ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ ইতিমধ্যে ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হৈছে। আনহাতে বেতকুছিত নিৰ্মাণ কৰি থকা সংহত সঞ্চালকালয় চৌহদ আৰু গুৱাহাটী আৰক্ষী ৰিজাৰ্ভৰ পুনৰ উন্নয়ন প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পথত আগবাঢ়িছে। মুখ্যমন্ত্ৰী হিচাপে শিলান্যাস কৰা সংহত জিলা আয়ুক্ত কাৰ্যালয়টো উদ্বোধন কৰিবলৈ সুযোগ পোৱাৰ বাবে আজি সন্তুষ্টি প্ৰকাশ কৰি ( নপৃষ্ঠাত চাওক)

# সিদ্ধাৰ্থ শৰ্মাৰ আবেদন খাৰিজ উচ্চতম ন্যায়ালয়ৰ





ৰঙিলী বাৰ্ত্তাসেৱা- উচ্চতম ন্যায়ালয়ে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অন্যতম অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই জনোৱা আবেদন খাৰিজ কৰিলে। অসমৰ বাহিৰৰ আন কোনো ৰাজ্যলৈ বিচাৰ প্ৰক্ৰিয়া স্থানান্তৰ কৰাৰ অনুৰোধ জনাই সিদ্ধাৰ্থ শৰ্মাই দাখিল কৰা আবেদনত তীব্ৰ অসন্তোষ ব্যক্ত কৰি দেশৰ শীৰ্ষ আদালতে এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়াধীশ বি ভি নাগৰত্না আৰু ন্যায়াধীশ আৰ মহাদেৱনক লৈ গঠিত খণ্ড বিচাৰপীঠে গোচৰটোৰ শুনানি গ্ৰহণ কৰি স্পষ্ট ভাষাৰে কয় যে এই পৰ্যায়ত গোচৰটো বহিঃৰাজ্যলৈ স্থানান্তৰ কৰাৰ কোনো প্ৰয়োজন তেওঁলোকে দেখা পোৱা নাই। ইয়াৰ উপৰি অসমৰ উচ্চন্যায়ালয় তথা ন্যায়িক প্ৰক্ৰিয়াৰ ওপৰত পূৰ্ণ আস্থা ৰাখিবলৈ আবেদনকাৰীক কঠোৰ বাৰ্তা প্ৰদান কৰে ন্যায়াধীশদ্বয়ে। উল্লেখ্য যে জুবিন গাৰ্গ হত্যাৰ গোচৰৰ চলি থকা তদন্ত তথা আইনী প্ৰক্ৰিয়াত সিদ্ধাৰ্থ শৰ্মাৰ নাম অন্যতম প্ৰধান অভিযুক্ত হিচাপে সাঙোৰ খাইছে। নিজকে সুৰক্ষিত কৰাৰ উদ্দেশ্যে তেওঁ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল যদিও শীৰ্ষ আদালতৰ স্থিতিয়ে তেওঁৰ অন্তিম চেষ্টা ব্যৰ্থ কৰিলে। ন্যায়ালয়ৰ এই নিৰ্দেশনাৰ লগে লগে এতিয়া জুবিন গাৰ্গ গোচৰৰ আইনী প্ৰক্ৰিয়া অসমৰ আদালতেই সম্পন্ন হোৱাৰ পথ সুগম হৈ পৰিল।

# ২৫ আগষ্টৰ পৰা ৭২ ঘণ্টীয়া অ'এনজিচি বন্ধ ঘোষণা আটাছুৰ



ৰঙিলী বাৰ্ত্তাসেৱা- তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেড (অ'এনজিচিএল) ৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰিছে সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)। বিশেষকৈ শিৱসাগৰৰপৰা অ' এন জি চিয়ে কাৰ্যালয় স্থানান্তৰ কৰা, বিগত ১২ বছৰে এজনো থলুৱা যুৱক-যুৱতীক নিযুক্তি প্ৰদান নকৰা, নিযুক্তি প্ৰক্ৰিয়া বন্ধৰখাৰ ফলত শিক্ষিত যুৱক-যুৱতীসকল নিবনুৱা হৈ পৰাৰ বিৰুদ্ধে আটাছুই তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। শিৱসাগৰত এক সংবাদমেল আয়োজন কৰি সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বসন্ত গগৈয়ে কয় যে অসমৰ হাজাৰ হাজাৰ শিক্ষিত যুৱক-যুৱতীয়ে এতিয়া কৰ্ম সংস্থাপনৰ অভাৱত বহিঃৰাজ্যলৈ গৈ তাৰ কোনো কোনো কোম্পানীত চকীদাৰ কৰিব ( নপৃষ্ঠাত চাওক)

# মহানগৰীৰ হেঙেৰাবাৰীত নৱবিবাহিত বোৱাৰীৰ ৰহস্যজনক মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ হেঙেৰাবাৰীত এগৰাকী নৱবিবাহিত বোৱাৰীৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। মৃত নৱবিবাহিত বোৱাৰীগৰাকীৰ নাম ৰিম্পী কলিতা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, মাত্ৰ দুমাহ পূৰ্বে হীৰকজ্যোতি ডেকা নামৰ এজন যুৱকৰ সৈতে আইনী বিবাহ সম্পন্ন হৈছিল ৰিম্পী কলিতাৰ। হেঙেৰাবাৰীৰ সংযোগ পথৰ হাউচ নম্বৰ ৯ত ভাড়াতীয়া হিচাপে আছিল দুয়ো। মঙলবাৰে নিশা স্বামী হীৰকজ্যোতি জুবিন ক্ষেত্ৰলৈ গৈছিল আৰু নিশা ঘৰলৈ উভতি অহাৰ পিছত পত্নীক মৃত অৱস্থাত প্ৰত্যক্ষ কৰে। পিছত স্থানীয় লোকে ঘটনা সন্দৰ্ভত দিছপুৰ আৰক্ষীক অৱগত কৰাত দিছপুৰ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে নিশাই স্বামী হীৰকজ্যোতি ডেকাক সোধা-পোছাৰ বাবে আটক কৰে। ইফালে মৃত ৰিম্পীৰ পৰিয়ালৰ অভিযোগ অনুসৰি, এয়া ( নপৃষ্ঠাত চাওক)

# বিজেপিৰ বিশেষ সাংগঠনিক সভাত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীস্থিত অসম প্ৰদেশ বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এক বিশেষ সাংগঠনিক বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। উজনিৰ চাৰি জিলাত সৃষ্টি হোৱা প্ৰলয়ংকৰী বানৰ পাছত জিলাকেইখনত বন্যাৰ্তক সহায় কৰা আৰু সাংগঠনিক দিশসমূহ আগুৱাই নিয়াৰ ক্ষেত্ৰত দলে কেনেধৰণে পদক্ষেপ ল'ব আৰু নগাঁও উপ-নিৰ্বাচনত দলৰ ৰণকৌশল কি হ'ব তাক লৈও বিস্তৃত আলোচনা হয় এই বৈঠকত। ৰাজ্যিক নেতৃত্বৰ লগতে জিলা প্ৰভাৰী আৰু সমপ্ৰভাৰীৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত নৱনিযুক্ত ৰাষ্ট্ৰীয় সম্পাদক মৃগাংক দেৱ বৰ্মনক মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। বৈঠকৰ অন্তত সভাপতি দিলীপ শইকীয়াই বৈঠক সন্দৰ্ভত কয় যে উজনিৰ চাৰি জিলাৰ বান পৰিস্থিতিৰ পিছত চৰকাৰৰ উদ্ধাৰ আৰু সাহায্য অভিযানৰ সবিশেষ মুখ্যমন্ত্ৰীয়ে দলীয় ( নপৃষ্ঠাত চাওক)

# আধ্যাত্মিক মহত্বৰে অসমীয়াৰ ভাদ মাহ

**যমুনা দুলু বৈশ্য, শুৱালকুছি**



অসমীয়া জাতিৰ পৰম্পৰাগত ধাৰ্মিক বিশ্বাসৰ লগত জড়িত মাহ হৈছে, ভাদ মাহটো বিশেষভাৱে গুৰুত্বপূৰ্ণ। ভাদ মাহ অসমৰ পৰম্পৰাগত জাতীয় কেলেণ্ডাৰৰ পঞ্চম মাহ। এই মাহটো সাধাৰণতে ইংৰাজী আগষ্ট-ছেপ্টেম্বৰ মাহত পৰে। ভাদ মাহৰ আগমনে অসমৰ সমাজ-জীৱনত এক আধ্যাত্মিক, সাংস্কৃতিক ৰূপে পালন কৰা হয়। এই মাহৰ বৈশিষ্ট্য আৰু পৰম্পৰাৰে অসমীয়া চিন্তাধাৰাৰ এটি মৌলিক অংশৰূপে গঢ়ি তোলে। যুগ যুগ ধৰি এই মাহটো অসমীয়া জাতিৰ ইতিহাসৰ লোকজীৱনৰ সৈতে অটুটভাৱে জড়িত হৈ আছে। ভাদ মাহত হোৱা বহু ধৰ্মীয় উৎসৱ, সামাজিক অনুষ্ঠান, কাৰ্যকলাপ আৰু আধ্যাত্মিক সাধনাই অসমীয়া সমাজত এক বিশেষ জাগৰণ অনা দেখা যায় ।

ভাদ মাহত বিভিন্ন ধৰ্মীয় উৎসৱ আৰু আচাৰ-অনুষ্ঠান উদযাপন কৰা হয় । ভাদ মাহটো পূজাৰ মাহ হিচাপে পৰিগণিত। এই মাহতে জন্মাষ্টমী, লক্ষ্মী পূজা, গণেশ চতুৰ্থী, আৰু তিথি যেনে গুৰুদুজনাৰ স্মৃতি তিথি পালন কৰা হয় ।

শ্ৰীকৃষ্ণৰ জন্মতিথি ৰূপে পালন কৰা জন্মাষ্টমী তিথিত নাম-ঘোষা, কীৰ্তন, ভজন আদি অনুষ্ঠিত হয়। শিশু-কিশোৰে কৃষ্ণৰ ৰূপত সাজ-পোছাক পিন্ধি নানা নাট-নৃত্যত অংশ লয়, যি এই উৎসৱটোক আৰু অধিক আনন্দদায়ক আৰু সাংস্কৃতিকভাৱে সমৃদ্ধ কৰি তোলে।

সত্ৰ আৰু নামঘৰসমূহত এই মাহটো এক বৈষ্ণৱ আধ্যাত্মিকতাৰে দুয়োজনা গুৰুৰ ভক্তিত নামঘৰত নামৰধ্বনিৰে মুখৰিত হয়। গণেশ চতুৰ্থীও কিছু অঞ্চলত ধুমধামৰে পালন কৰা হয় । শংকৰদেৱ আৰু মাধৱদেৱৰ তিথিত নাম-কীৰ্তনৰ জৰিয়তে ঈশ্বৰৰ গুণানুকীৰ্তন কৰা হয়। পিতৃ-পুৰুষৰ স্মৃতিত পালন কৰা এই তিথি হৈছে সমাজত এক গম্ভীৰ আৰু শ্ৰদ্ধাৰে পালন কৰা অনুষ্ঠান। এইবোৰ অনুষ্ঠানৰ জৰিয়তে ভাদ মাহত ধৰ্মীয় অনুভৱৰ এক বেছি গভীৰতা দেখা যায় ।

ভাদ মাহ অসমৰ কৃষিজীৱনত এক গুৰুত্বপূৰ্ণ পৰ্যায় । এই সময়খিনিত ধানৰ গছ ডাঠ হয়, লাহে লাহে ধান শিপা ধৰিবলৈ আৰম্ভ কৰে। বানৰ সম্ভাৱনা থাকে। এই পৰিস্থিতিয়ে কৃষকৰ চিন্তা আৰু সজাগতা দুয়োকে বঢ়াই তোলে। এই পৰিবেশক মনত ৰাখি বহু ঠাইত বানৰ পৰা *(বাৰপৃষ্ঠাত চাওক)*

# আইৰ আত্ম-কথন




**ববিতা বৰঠাকুৰ,কুৰালগুৰি, গোলাঘাট**

মাজনিশা তৰাবোৰ জ্বলিছিল
আত্মীয়ৰ বাদে জগতখন শুই নিঃপালি দিলে
হেজাৰ আত্মজৰ উত্তাপ মোৰ চৌপাশে
স্বাধীনতাৰ সোৱাদ মোৰ জিভাত
সপোন-দিঠকৰ দোমোজাত পতাকা উৰিল।
মোৰ দেহৰ পূৰ্ব-পশ্চিমে বলিশালৰ পাঠাৰ দৰে
কটা মূৰ আৰু গাৰ পৰা
চিটিকি পৰা তেজ
মই ফেঁকুৰি কন্দা গান্ধীয়ে দেখিছিল ।
নুমলী কুঁৱৰী কনকলতা
বৰপোনা কুশল
বুকুখন বৰকৈ বিষাই অ'
কত দুহিতাৰ সপোন ভাগিল
কত বধুৰ ঠিকনা হেৰাল
উশাহ হেৰুৱাব খোজোতেই উশাহ লাগিল
হিয়াৰ আমঠু
'সাত সাগৰ পাৰ হৈ গৰু-খোজৰ পানীত বুৰি নমৰিবি' বোপাইহত
পৃথিবী, জল, অগ্নি, বায়ু, আকাশ তহতকে গটালোঁ ।
পাহাৰ-ভৈয়াম, পুৰুষ প্ৰকৃতি একহৈ
বৰ্ণ, ধৰ্ম, জাত ত্যাগী
সাত শত্ৰুৰোলৈ ঐক্যৰ গড় বান্ধ
বুকুৰ উমতে প্ৰেমিহৈ ফুল
'সুখদাং বৰদাং মাতৰম্'

# মাটি স্পৰ্শ হীন চহকী মানুহৰ জীৱন

**শংকৰ দেৱ, দেৰগাঁও**



আজিৰ এই আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত বিকাশে মানুহৰ জীৱনধাৰা, কৰ্মসংস্কৃতি আৰু অৰ্থনৈতিক সফলতাৰ ভাব-ধাৰণাত এক আমূল পৰিৱৰ্তন আনি দিছে। আজিৰ বিশ্বত এনে এক নতুন শ্ৰেণীৰ চহকী লোকৰ উত্থান ঘটিছে, যিসকলৰ জীৱন ধাৰণৰ সৈতে মাটিৰ প্ৰত্যক্ষ সম্পৰ্ক প্ৰায় নাই বুলিলেই চলে। বিশেষকৈ বহু উচ্চ পদস্থ চৰকাৰী বা বেচৰকাৰী বিষয়া-কৰ্মচাৰী আৰু উচ্চ পৰ্যায়ৰ ব্যৱসায়ী আদি লোক সকলে সফলতা লাভ কৰি অগাধ ধন-সম্পত্তিৰ অধিকাৰী হ বলৈ ধৰিছে। বৰ্তমান এইসকলকেই 'মাটি স্পৰ্শ হীন চহকী মানুহ' বুলি অভিহিত কৰিব পাৰি।

আজিৰ এই নতুন শ্ৰেণীৰ লোকসকলৰ জীৱন শৈলীও সম্পূৰ্ণৰূপে সুকীয়া। তেওঁলোকৰ কৰ্মক্ষেত্ৰ বোকাময় কৃষি পথাৰ বা উৎপাদনমুখী ক্ষেত্ৰ নহয়, বৰঞ্চ শীত-তাপ নিয়ন্ত্ৰিত আধুনিক কাৰ্যালয়, বহুতল অট্টালিকা বা ঘৰৰ ভিতৰত স্থাপিত ডিজিটেল কৰ্মস্থান। পুৱাৰ পৰা নিশালৈকে প্ৰতিটো মুহূৰ্ত অতি উচ্চমানৰ আৰু বিলাসী সা-সুবিধাৰে পৰিপূৰ্ণ। কম্পিউটাৰ, ইণ্টাৰনেট, স্মাৰ্টফোন আৰু কৃত্ৰিম বুদ্ধিমত্তাই তেওঁলোকৰ জীৱন আৰু কৰ্মৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। শাৰীৰিক শ্ৰমৰ সলনি বুদ্ধিমত্তা, ব্যৱস্থাপনা দক্ষতা আৰু প্ৰযুক্তিগতজ্ঞ ানৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁলোকে বিপুল সম্পত্তি আহৰণ কৰিবলৈ সক্ষম হৈছে।

তেওঁলোকৰ ভৰি কেতিয়াও মাটিত নপৰে। ঘৰৰ দামী দলিছাৰ পৰা ওলাইয়েই তেওঁলোকে বিলাসী গাড়ীত উঠে আৰু গৈ কাৰ্যালয়ৰ লিফ্টত ভৰি দিয়ে। এই জীৱনশৈলীত শাৰীৰিক শ্ৰমৰ কোনো স্থান নাই, কেৱল মানসিক শ্ৰম আৰু মগজুৰ সঠিক পৰিকল্পনাৰেই কোটি কোটি টকাৰ লেনদেন সম্পন্ন কৰা হয়।

যোগাত্মক দিশৰ পৰা চালে, আজিৰ পৰিৱেশত এই মাটিৰ স্পৰ্শ হীন চহকী শ্ৰেণীটোৱে দেশৰ অৰ্থনৈতিক প্ৰগতিত এক সিংহভাগ অৱদান আগবঢ়াই আহিছে। এইনতুন ধনী শ্ৰেণীটোৰ ইতিবাচক অৱদানক অৱহেলা কৰিব নোৱাৰি। তেওঁলোকৰ উদ্যোগ আৰু উদ্ভাৱনী চিন্তাই নতুন নতুন ব্যৱসায়িক ক্ষেত্ৰৰ সৃষ্টি কৰিছে। তথ্য-প্ৰযুক্তি আৰু ডিজিটেল অৰ্থনীতিৰ বিকাশে দেশৰ অৰ্থনৈতিক প্ৰগতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বহু শিক্ষিত যুৱক-যুৱতীয়ে এই উদ্যোগসমূহৰ জৰিয়তে সংস্থাপনৰ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। বিশ্বায়নৰ *(আঠপৃষ্ঠাত চাওক)*

অনুগল্প

# শূণ্য

**নিৰ্মালি বৰা হাজৰীকা, নগাঁও**



নিশামণিৰ সুখৰ সংসাৰ। দুটি মৰম লগা নোদোকা -নোদোক ল'ৰা-ছোৱালী। তাইৰ প্ৰতিটো খোজতে সাহস দিয়া মৰমেৰে আবৰি ৰখা স্বামী জিতেন। বৰ হোজা মানুহ জন। মাকহেঁন শাহু। গোহালিত গৰু। ভঁৰালত বছৰেকৰ ধান। চৰকাৰী চাকৰি নহ'লেও, অভাৱ একোৰে নাই। হাঁহি ধেমালিৰে সিহঁতৰ জীৱন ভৰি থাকে।

কিন্তু, নিমিষতে সকলো নিঃশেষ। বলিয়া বানে উটোৱাই লৈ গ'ল নিশামণিৰ সৰ্বস্ব। এতিয়া সকলো শূণ্য, নিস্তব্ধ। অকল বাচি ৰ'ল তাই। বুকুত একুৱা জীয়া জুই। যি কুৱা জুইৰ তাপে জীয়াই জীয়াই পুৰিব।।

# মৌনতা যেতিয়া আত্মৰক্ষাৰ অস্ত্ৰঃ বৰ্তমান যুগৰ এক নিষ্ঠুৰ বাস্তৱ

**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**



সূচনাঃ মানৱ সভ্যতাৰ ভেটি গঢ়ি উঠে পাৰস্পৰিক বিশ্বাস, মৰম-চেনেহ আৰু নৈতিকতাৰ ওপৰত। কিন্তু বৰ্তমান একবিংশ শতিকাৰ আধুনিক সমাজ ব্যৱস্থালৈ লক্ষ্য কৰিলে দেখা যায় যে এই মানৱীয় মূল্যবোধসমূহ ক্ৰমান্বয়ে ম্লান হৈ পৰিছে। সাম্প্ৰতিক সময়ত মানুহৰ মনৰ পৰা অন্যায় কৰাৰ ভয়, লাজ আৰু অনুশোচনা প্ৰায় নোহোৱা হৈ পৰিছে। নিজৰ ক্ষন্তেকীয়া স্বাৰ্থ সিদ্ধিৰ বাবে মানুহে আন এজনক প্ৰতাৰণা কৰিবলৈ এতিয়া তিলমানো কুণ্ঠাবোধ নকৰে। সমাজৰ এই চৰম নৈতিক স্খলন সঁচাকৈয়ে এক চিন্তনীয় বিষয়।

নেতৃত্বৰ ভূমিকা আৰু সাধাৰণ জনতাৰ মানসিকতাঃ যিকোনো এখন সমাজৰ গতি-প্ৰকৃতি নিৰ্ভৰ কৰে তাৰ আগশাৰীৰ বা প্ৰভাৱশালী ব্যক্তিসকলৰ আচৰণৰ ওপৰত। কিন্তু বৰ্তমান সময়ত দেখা গৈছে যে সমাজৰ তথাকথিত উচ্চস্তৰৰ বা নেতৃত্বস্থানীয় লোকসকলেই যেতিয়া ক্ষমতা বা স্বাৰ্থৰ বাবে মিছা কথা, প্ৰতাৰণা আৰু মিছা প্ৰতিশ্ৰুতিৰ আশ্ৰয় লয়, তেতিয়া তাৰ এক ভয়াবহ কুপ্ৰভাৱ সাধাৰণ শ্ৰেণীৰ লোকৰ ওপৰতো পৰে। ‘ৰজাই যি কৰে, প্ৰজায়ো তাকে কৰে’-এই নীতিৰ দৰেই সাধাৰণ মানুহৰ মাজতো অন্যায় কৰাৰ প্ৰৱণতা বাঢ়ি গৈছে। যাৰ ফলত সমাজত সুস্থ প্ৰতিযোগিতাৰ সলনি কেৱল ষড়যন্ত্ৰ, হিংসা আৰু ইজনে আনজনক ভৰিৰে গচকি আগবাঢ়ি যোৱাৰ এক অসুস্থ মানসিকতাই গা কৰি উঠিছে।


লিংগভিত্তিক ভূমিকাৰ পৰিৱৰ্তন আৰু ইয়াৰ ভয়াৱহতাঃ অতীজৰে পৰা আমাৰ সমাজত এটা কথা প্ৰচলিত আছিল যে মহিলাসকলে পৰচৰ্চা কৰে, কাণকুচালি কৰে বা ইজনৰ কথা সিজনক লগাই কন্দলৰ সৃষ্টি কৰে। কিন্তু বৰ্তমান সমাজৰ চিত্ৰখন সম্পূৰ্ণ ওলোটা। আজিকালি পুৰুষ সমাজো এই কুৎসিত কাৰ্যত সমানেই অভ্যস্ত হৈ পৰিছে। তাতকৈ ডাঙৰ কথাটো হ'ল- মহিলাৰ মাজত হোৱা কন্দলবোৰ সাধাৰণতে কথাৰ মেৰপাকতে সীমাবদ্ধ থাকে আৰু তাৰ প্ৰভাৱ সিমান ভয়াৱহ নহয়। কিন্তু পুৰুষসকল স্বভাৱগতভাৱে কিছু উগ্ৰ, অহংকাৰী আৰু সোনকালে উত্তেজিত হৈ পৰা দেখা যায়। ফলস্বৰূপে, যেতিয়া পুৰুষৰ মাজত এনে কথা লগোৱা বা কুৎসা ৰটনাৰ সৃষ্টি হয়, তেতিয়া ই কেৱল কথাতে শেষ নহয়; বৰঞ্চ মাৰপিট, দীৰ্ঘধ্বনি শত্ৰুতা, দাংগা হংগামা বা হত্যাকাণ্ডৰ দৰে ভয়াৱহ আৰু কৰুণ পৰিণতিলৈ ৰূপান্তৰিত হয়।

অবিশ্বাসৰ পৰিৱেশ আৰু ‘মৌনতা’ৰ আশ্ৰয়ঃ সাম্প্ৰতিক সমাজত “কাক বিশ্বাস কৰিব আৰু কাক নকৰিব” - সেয়া এক ডাঙৰ প্ৰশ্নবাচক চিন। আপোন বুলি ভাবি কাৰোবাক মনৰ কথা ক'লে, পৰৱৰ্তী সময়ত সেই কথাই নিজৰ বাবেই কাল হৈ পৰে। এনে এক ভণ্ড আৰু জটিল পৰিৱেশত ভদ্ৰভাৱে জীয়াই থকাটো এক কঠিন সংগ্ৰাম হৈ পৰিছে। সেয়েহে, বহু অভিজ্ঞ আৰু চিন্তাশীল ব্যক্তিয়ে এতিয়া ‘মৌনতা’ক এক ডাঙৰ ঢাল বা অস্ত্ৰ হিচাপে গ্ৰহণ কৰিছে। কাৰণ বৰ্তমান যুগত অন্যায় বা অসত্যৰ বিৰুদ্ধে অকলে মাত মাতিবলৈ গ'লে, সমাজত ন্যায় পোৱাৰ সলনি নিজে অকলশৰীয়া হৈ পৰাৰ সম্ভাৱনাহে বেছি থাকে। আপোনাৰ লগত থকা বন্ধু-বান্ধৱ বা আত্মীয় সকলো আঁতৰি যায় আৰু আপুনি সমাজচ্যুত হোৱাৰ দৰে অৱস্থা হয়।

সামাজিক মাধ্যম (Social Media) আৰু মানসিক নিৰ্যাতনঃ বৰ্তমান সময়ত সামাজিক মাধ্যম যেনে ফেচবুক, হোৱাটছএপ আদি মানুহক সংযোগ কৰাতকৈ কাৰোবাৰ চৰিত্ৰ হনন কৰাৰ বাবে বেছি ব্যৱহাৰ হোৱা দেখা গৈছে। যদি আপুনি কাৰোবাৰ অন্যায়ৰ প্ৰতিবাদ কৰে বা সমাজৰ ভুলবোৰ আঙুলিয়াই দিয়ে, তেন্তে এক

(আঠপৃষ্ঠাত চাওক)

# প্ৰেমৰ মৃত্যু



**মিতালি বৰঠাকুৰ,মালিগাওঁ**

আকাশখন খহি পৰা আবেলি
তাই লঠঙা শিমলু জোপাৰ তলত
আপোন পাহৰা হৈ চাই আছিল
এটা দিনৰ অৱসান ঘটাই
বেলিতো বিলীন হোৱা নীলিম আকাশ খনিলৈ,
য'ত মৃত্যু হৈছিল এটি প্ৰেমৰ কবিতাৰ
হাহাকাৰ কৰিছিল এটি সুপ্ত জীৱনে
মৃত্যু হৈছিল মানবতাৰ
যন্ত্ৰণাত ছটফটাইছিল তেজ -মঙহৰ
কোনো জন্মদাত্ৰী মাতৃৰ বুকুৰ কলিজাই
কাতৰ স্বৰে তাই প্ৰাৰ্থনা কৰিছিল
জীৱন দানৰ বাবে
লাহে লাহে নিষ্ক্ৰিয় শৰীৰটোৰ পৰা
তাইৰ প্ৰাণ বায়ু উৰি গৈছিল
এক অজান দেশলৈ...
য'ত এনে পাশবিকতাৰ স্থান নাই
দয়া - ক্ষমা - মানৱতা
আজি যেন সকলো নিঃশেষ হৈ আহিছে
এচাম নৰ পিশাচৰ বাবে...

# ভাদ মাহত হৰি নামৰ ধ্বনিয়ে হৃদয়ত বিলাই ঈশ্বৰৰ প্ৰশান্তি



**নমিতা দাস, শুৱালকুছি**

শাওঁণ মাহৰ সংক্ৰান্তিৰ পিছৰ দিনাৰ পৰা ভাদ মাহ আৰম্ভ হয়। ভাদ মাহলৈকে কৃষক সকলে ক্ষুধা নিবাৰণৰ বাবে পথাৰত সোনালী শৌচ সিচাত ব্যস্ত থাকে । কাৰণ আহিনৰ আগমনে পথাৰ সেউজ কৰি তোলে। এই পবিত্ৰ ভাদ মাহতেই -

কৃষ্ণ ৰূপে দৈৱকীত ভৈলা অৱতাৰ ।
শংখ চক্ৰ গদা পদ্ম কৰত তোমাৰ।।
পীত বস্ত্ৰে শোভে আতি শ্যাম কলেবৰ ।
কমল লোচন চাৰু অৰুণ অধৰ।।

ভাদ মাহত আমাৰ আৰাধ্য দেৱতা শ্ৰীকৃষ্ণৰ জন্ম মাহ ৰূপে জনা যায়। শ্ৰীকৃষ্ণ অৱতাৰ সমুহ মহাপুৰুষ দুয়ো জনা গুৰুৰ পুঠি সমুহত বিতংকৈ ঘোষা, বৰগীত, অংকীয়া নাট আদিত পুঙ্খানুপুঙ্খ বৰ্ণনা পোৱা যায়। এই মাহতেই মহাপুৰুষ দুয়ো জনা গুৰুৰো তিৰোভাৱ তিথি পালন কৰা হয়।

বৰ্তমান যান্ত্ৰিকতাৰ যুগত মানুহৰ ব্যস্ততাই নাম ঘৰ সমুহত প্ৰতিদিনে গৈ হৰি কীৰ্তন কৰাৰ বাবে সময়ৰ অভাৱ বা বিভিন্ন কাৰণত সকলোৱে নামঘৰলৈ যাবলৈ সুবিধা হয়। গতিকে ভাদ মাহতে প্ৰতিটো নামঘৰত হৰিৰ নামেৰে মুখৰিত হৈ প্ৰতিটো নামঘৰে বৈকুণ্ঠ ধামলৈ পৰিনত হয়।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে শ্ৰী কৃষ্ণৰ লীলা সমুহ অংকীয় নাট, বৰগীত, -ভাওনাৰে ভক্তগনক আকৰ্ষণৰ কাৰণে বিভিন্ন ঠাইত নামঘৰ স্থাপন কৰি মানৱ সমাজলৈ উপদেশ আদৰ্শৰে জ্ঞানৰ অমৃত ভাণ্ডাৰ প্ৰদান কৰি থৈ গৈছে। যাৰ দ্ধাৰা মানৱ সমাজে জীৱনৰ প্ৰয়োজনীয় সকলো জ্ঞান তত্ব আহৰণৰ লগতে ধৰ্ম অৰ্থ কাম লোভৰ তত্ব ঈশ্বৰৰ ঐশ্বৰিক সত্তা সম্পৰ্কে জনাৰ উদ্দেশ্যে প্ৰতিটো নামঘৰতে একোজনকৈ নামঘৰীয়াক নামঘৰৰ দায়িত্ব দি এঠাইৰ পৰা তেওঁ আন এঠাইলৈ ৰাওনা হৈছিল। ক্ৰমে এই নামঘৰ সমুহৰে পৰা পোনতে ভক্তগনে ঠাই ভেদে অন্য ঠাইতো নামঘৰ স্থাপন কৰি দুজনা গুৰুৰেই প্ৰৱৰ্তন কৰা গীত- মাত তত্ব সমুহেৰে সকলো নামঘৰ মুখৰিত কৰে।

ধন্য ধন্য কলিকাল ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰত বৰিষ ।

ভগৱান শ্ৰীকৃষ্ণৰ পদৰেণুত ধন্য হোৱা কথা ইতিহাসত পোৱা যায়। অসমবাসী লোক সকলে ভাদ মাহটো পবিত্ৰ মাহ হিচাপে গন্য কৰে। প্ৰতিজন লোকে ভাদ মাহত নাম ঘৰত শৰাই আগবঢ়াই এদিনৰ বাৰে হলেওঁ নাম কীৰ্তন

(আঠপৃষ্ঠাত চাওক)

# মাটি স্পৰ্শ হীন চহকী মানুহৰ

যুগত আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ প্ৰযুক্তি, ব্যৱস্থাপনা আৰু জ্ঞান দেশলৈ কঢ়িয়াই অনাতো এই শ্ৰেণীৰ ভূমিকা উল্লেখযোগ্য।

বিশেষকৈ তথ্য-প্ৰযুক্তি, শ্বেয়াৰ মাৰ্কেট কৰ্পোৰেট খণ্ড আৰু ই-কমাৰ্চৰ দৰে আধুনিক উদ্যোগসমূহ এইসকল লোকৰ দ্বাৰাই পৰিচালিত হয়। তেওঁলোকৰ নতুন নতুন ব্যৱসায়িক চিন্তাই সমাজৰ হাজাৰ হাজাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীক সংস্থাপনৰ পথ দেখুৱাই দিবলৈ সক্ষম হৈছে। তেওঁলোকে সমাজলৈ আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ প্ৰযুক্তি আৰু আধুনিক দৃষ্টিভংগী কঢ়িয়াই আনি দেশক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাত সহায় কৰিছে।

তথাপিও এটা ঋণাত্মক দিশ লক্ষ্য কৰিবলগীয়া হয় যে যদিও বাহিৰৰ পৰা এই চমকপ্ৰদ জীৱনটো অতি আকৰ্ষণীয় যেন লাগে, কিন্তু ইয়াৰ অন্তৰালত এক ভয়াৱহ অন্ধকাৰ দিশ থকাও লক্ষ্য কৰিব পাৰি। মাটিৰ সৈতে সম্পৰ্ক হেৰুৱাই পেলোৱাৰ বাবে এইসকল লোক ক্ৰমান্বয়ে নিজৰ ঐতিহ্য আৰু পুৰণি কৃষ্টি-সংস্কৃতিৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰিছে। কিন্তু এই চমকপ্ৰদ সফলতাৰ আঁৰত কিছুমান উদ্বেগজনক দিশো লুকাই আছে। নগৰকেন্দ্ৰিক জীৱনশৈলীৰ প্ৰভাৱত নতুন প্ৰজন্মৰ বহু শিশুৱে প্ৰকৃতি, কৃষি বা গ্ৰাম্য জীৱনৰ সৈতে ঘনিষ্ঠ পৰিচয় গঢ়ি তোলাৰ সুযোগ নাপায়। ফলস্বৰূপে জীৱন ক্ৰমান্বয়ে যান্ত্ৰিক আৰু কৃত্ৰিম হৈ পৰে। তেওঁলোকৰ সন্তানসকলে প্ৰকৃতিৰ সতেজ বতাহ, গছ-লতা বা গ্ৰাম্য জীৱনৰ সৰল আনন্দৰ সোৱাদ নাপায়। ইয়াৰ পৰিণতিত সৃষ্টি হৈছে এক কৃত্ৰিম আৰু যান্ত্ৰিক সমাজৰ। অহৰহ ব্যৱসায়িক চিন্তা, লক্ষ্য পূৰণৰ চাপ (target pressure) আৰু শাৰীৰিক শ্ৰমৰ অভাৱৰ বাবেই এইসকল লোক অতি কম বয়সতে ডায়েবেটিছ, হৃদৰোগ, ৰক্তচাপ আৰু তীব্ৰ মানসিক অৱসাদ বা একাকীত্ব (loneliness) আদি ৰোগত ভোগা দেখা পোৱা যায়। ধন-সম্পত্তি থকাৰ পিছতো তেওঁলোকৰ জীৱনলৈ শান্তি অহা দেখা নাযায়।

আনহাতে, প্ৰতিযোগিতামূলক কৰ্পোৰেট সংস্কৃতি, লক্ষ্য পূৰণৰ চাপ আৰু ব্যস্ততাপূৰ্ণ জীৱন গতিৰ বাবেই বহু লোক মানসিক অস্থিৰতা, উদ্বেগ, একাকীত্ব আৰু বিভিন্ন জীৱনশৈলী জনিত ৰোগত আক্ৰান্ত হোৱা দেখা পোৱা যায়। ধন-সম্পত্তি আৰু আধুনিক সা-সুবিধাৰ অভাৱ নাথাকিলেও মানসিক শান্তি আৰু পাৰিবাৰিক সম্পৰ্কৰ ক্ষেত্ৰত এক শূন্যতা অনুভৱ কৰা দেখা যায়। এই বাস্তৱতাই প্ৰশ্ন উত্থাপন কৰে যে কেৱল আৰ্থিক সফলতাই মানুহৰ জীৱনক সম্পূৰ্ণ সুখী কৰিব পাৰিব নে ?

এই ব্যৱস্থাই সমাজত এক ভয়ংকৰ শ্ৰেণী বিভাজনৰো সৃষ্টি কৰিছে। এফালে যিদৰে মাটিৰ স্পৰ্শ হীন ধনী শ্ৰেণীটো অধিক ধনী হৈ গৈছে, আনফালে ৰ'দ-বৰষুণ কাটি কৰি মাটিত সোণ উপযোৱোৱা প্ৰকৃত খেতিয়ক বা খাটি-খোৱা মানুহখিনি আজিও অৱহেলিত হৈয়েই আছে। এই চহকী শ্ৰেণীটোৰ মনত সাধাৰণ শ্ৰমিক শ্ৰেণীৰ দুখ-কষ্টৰ প্ৰতি সহানুভূতি প্ৰায় দেখা পোৱা নাযায়, যাৰ ফলত সমাজত এক মানসিক আৰু অৰ্থনৈতিক ব্যৱধান অধিক প্ৰকট হৈ পৰিবলৈ লৈছে। ইয়াৰোপৰিও সমাজত এক নতুন ধৰণৰ অৰ্থনৈতিক আৰু মানসিক ব্যৱধানৰ সৃষ্টি হোৱা পৰিলক্ষিত হ'বলৈ ধৰিছে। এফালে ডিজিটেল অৰ্থনীতিৰ সুবিধাভোগী এক শ্ৰেণী অধিক সমৃদ্ধিশালী হৈ পৰিছে, আনফালে কৃষক, শ্ৰমিক আৰু উৎপাদনমুখী ক্ষেত্ৰৰ বহু লোক এতিয়াও মৌলিক সমস্যাৰ সৈতে সংগ্ৰাম কৰি আছে। এই বৈষম্য অধিক বৃদ্ধি পালে সমাজৰ সামগ্ৰিক সুস্থ বিকাশ ব্যাহত হোৱাৰ আশংকা থাকে।

সেয়েহে, আধুনিকতাৰ সৈতে খোজ মিলাই চলাটো সময়ৰ দাবী হ'লেও মানুহে নিজৰ ঐতিহ্য আৰু মাটিৰ সৈতে থকা সম্পৰ্ক সম্পূৰ্ণৰূপে হেৰুৱাই পেলোৱা উচিত নহয়। প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰাৰ সমান্তৰালভাৱে প্ৰকৃতি, কৃষি, সমাজ আৰু মানৱীয় মূল্যবোধৰ প্ৰতিও সমানেই গুৰুত্ব দিব লাগিব। কিয়নো মানুহৰ অস্তিত্বৰ মূল আধাৰ আজিও মাটিয়েই। মাটিৰ সৈতে সংযোগহীন বৈভৱে হয়তো আৰাম দিব পাৰে, কিন্তু জীৱনলৈ প্ৰকৃত পৰিতৃপ্তি আৰু মানসিক শান্তি কেতিয়াও কঢ়িয়াই আনিব নোৱাৰে।

শেষান্তৰত ক'ব পাৰি যে আজিৰ পৰিৱৰ্তনশীল সময়ৰ সৈতে খোজ মিলাই অৰ্থনৈতিকভাৱে স্বাৱলম্বী বা চহকী হোৱাটো অতি প্ৰশংসনীয় আৰু প্ৰয়োজনীয়। কিন্তু তাৰ মাজতে মানুহে নিজৰ মানৱীয় মূল্যবোধ আৰু মাটিৰ প্ৰতি থকা টানটোক পাহৰি যোৱা উচিত নহয়। প্ৰযুক্তিৰ পয়োভৰৰ মাজতো প্ৰকৃতিৰ সৈতে সংযোগ ৰাখিব নোৱাৰিলে আৰু সমাজৰ নিম্ন স্তৰৰ মানুহখিনিক বুকুত আকোৱালি ল'ব নোৱাৰিলে, তেনে বৈভৱশালী জীৱন কেৱল এটা সোণৰ সাঁজাত বন্দী পখীৰ দৰেই অৰ্থহীন হৈ ৰ'ব।

# ভাদ মাহত হৰি নামৰ ধ্বনিয়ে

কৰি নাম ঘৰত মুৰ দোৱাই আহে। সেয়ে কোনো সন্তান ভাদ মাহত জন্ম হলে লক্ষ্মী অহা বুলি লোক বিশ্বাস আছে । কথাতে কয় " তিনি ভাদুৱা যাৰ সোনৰ নাঙল তাৰ"।

সেই ভাদ মাহতে শ্ৰী কৃষ্ণৰ জন্ম উৎসৱ আৰু পিছৰ দিনা নান্দো উৎসৱ পাতি নাম প্ৰসংগৰ লগতে ভাওনা কৰি আইমাতৃৰ লগতে বাপ-বান্ধৱ সৰু লৰা ছোৱালী আটাইয়ে আহি ভগৱান শ্ৰীকৃষ্ণৰ লীলা আৰু অৱতাৰৰ ওপৰত ভক্তিৰস নিগৰাই। ভাদ মাহতেই মহাপুৰুষ দুজনাৰ তিৰোভাৱ তিথি পালনৰ উদ্দেশ্যে নাম ঘৰত হৰি ধ্বনিৰে মুখৰিত হৈ পৰে। সেই সুযোগতে অসমীয়া সমাজত চহকী কৰি তোলা লোক বাদ্য সমুহ ন সিকাৰু সকলকো গুৰুজনাৰ অনবদ্য সৃষ্টিৰ খোল, তাল, বৰগীত আদিকে ধৰি তেখেতৰ কলা, সংস্কৃতি সমুহ অসমীয়া সমাজত চহকী কৰি যোৱা উদ্দেশ্যে নামঘৰ সমুহত শিকাই প্ৰদৰ্শণ কৰা হয়। ভাদ মাহৰ নামঘৰ সমুহত প্ৰতি দিনে মুখৰিত হৈ পৰা হৰিধ্বনিয়ে মনলৈ কঢ়িয়াই ভক্তিৰসৰ অনাবিল আনন্দৰ ।

মুঠতে অসমীয়া সমাজ জীৱনত ভাদ মাহ হৈছে পবিত্ৰ মাহ। আমাৰ উপাস্য দেৱতা বিশ্ব-ব্ৰহ্মাদৰ স্ৰষ্টা ভগৱান শ্ৰীকৃষ্ণৰ লগতে অসমীয়া কৃষ্টি সংস্কৃতিৰ শ্ৰষ্টা অসমীয়া জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই অসমীয়া সমাজখন সজাই বৈষ্ণৱ ধৰ্ম আৰু সমাজখনক একত্ৰিত কৰি নামকীৰ্ত্তনেৰে পবিত্ৰ কৰি ভাষা, সাহিত্য সংস্কৃতিৰে বৰ পেৰা সজাই লৈ অসমীয়া সমাজ জীৱনলৈ কঢ়িয়াই আনিলে ভকতিৰ অমিয়া ৰস। শ্ৰী মন্তশংকৰ দেৱ আৰু শ্ৰীমন্ত মাধৱদেৱ গুৰুজনাৰ সৃষ্টিৰাজিয়ে অসমবাসিক ঈশ্বৰৰ অৱতাৰ সমুহেৰে যোগে যোগে সমাজ জীৱনলৈ কঢ়িয়াই সুখ শান্তি আৰু সম্প্ৰিতিৰ কথা ।

# কথাবোৰ



**মেৰী বৰদলৈ, নগাঁও**

কথাবোৰ যদিও
এতিয়া পুৰণি
তথাপিও মোৰ বাবে
চিৰস্বাশত
সন্ধিয়াৰ কথোপকথন বোৰে
বৰকৈ আমনি কৰে
আৰু ! আৰু মই সেই
কথোপকথনবোৰক
এটি হাঁহিৰে সম্ভাষণ জনাই
ৰোমন্থন কৰোঁ
দুচকুত সপোনৰ ছবিখন ৰাখি
এতিয়া সময়বোৰ কিজানি
অচিনাকি
তথাপিও সেই
চিনাকি সময়ে দিয়া
মুহূৰ্তবোৰ মোৰ বাবে
আজিও সেই তেতিয়াৰ দৰে
আপোনৰ সুবাস
কথা পাতো
মনৰ ছবিখন দুচকুত ৰাখি
হাজাৰ কথা
কথা দিছিলোঁ এদিন
অপেক্ষা কৰাৰ কথা
পাহৰা নাই সেই কথা
অপেক্ষা কৰিম
সেই দিনটোলৈ
যিটো দিনত
মোৰ সপোনৰ ছবিখনে
ক'ব আহি
যে...
হাজাৰজনৰ মাজৰ
তুমিও মোৰ একমাত্ৰ
অচিন পথৰ
বিশ্বাসী চিনাকি পথিক আছিলা
আজি সন্ধিয়াটিক সুধিছিলোঁ মই
মই বাৰু
কথা পাতিব নাজানো নে
কথা ক'ব নাজানো
নে মই হাঁহিব নাজানো
নে মই... ?

# মৌনতা যেতিয়া

শ্ৰেণীৰ মানুহে চচিয়েল মিডিয়াৰ জৰিয়তে আপোনাক ট্ৰোল কৰা, কটু মন্তব্য কৰা বা লঞ্চিত কৰাত নামি পৰে। আনকি কেতিয়াবা কেতিয়াবা প্ৰাণৰ ভাবুকিও আহে। ইয়াৰ ফলত এজন সৎ ব্যক্তিয়ে মানসিকভাৱে তীব্ৰ যাতনা ভুগিবলগীয়া হয়।

উপসংহাৰঃ সামৰণিত ক'ব পাৰি যে, শিক্ষা আৰু প্ৰযুক্তিৰ দিশৰ পৰা আমি যিমানেই আধুনিক বা উন্নত নহওঁ কিয়, মানসিক আৰু নৈতিক দিশৰ পৰা আমি বহুখিনি পিছপৰি গৈছোঁ। এক সুস্থ আৰু শান্তিপূৰ্ণ সমাজ গঠন কৰিবলৈ হ'লে প্ৰতিজন ব্যক্তিয়ে আত্ম-বিশ্লেষণ কৰাটো জৰুৰী। যি পৰিৱেশত সাধাৰণ মানুহে ভয় আৰু সংশয়ৰ মাজত জীয়াই থাকিবলগীয়া হয়, সেই সমাজ কেতিয়াও প্ৰকৃত অৰ্থত উন্নত হ'ব নোৱাৰে।

# অন্বেষাক ড্ৰাগছ যোগান

এই অংকিত দাসে বিভিন্ন সময়ত নগৰখনত ড্ৰাগছ যোগান ধৰি অহাৰ অভিযোগ আছে। গ্ৰেপ্তাৰ কৰা অংকিত দাসক স্বাস্থ্য পৰীক্ষা কৰোৱাৰ পিছত আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে দুদিনৰ বাবে আৰক্ষীৰ জিম্মাত দিয়ে। ইফালে অংকিত দাসক গ্ৰেপ্তাৰ কৰাৰ পিছত তেওঁৰ মাতৃ আৰু এগৰাকী আত্মীয় মহিলাই যোৰহাট সদৰ থানত সৃষ্টি কৰে উত্তপ্ত পৰিস্থিতিৰ। অংকিতক গ্ৰেপ্তাৰ কৰাৰ পিছত পুত্ৰ নিৰ্দোষী বুলি মাতৃয়ে থানাৰ ভিতৰতে তাণ্ডৱ চলায় আৰু অভব্য আচৰণ কৰে। অংকিত দাসৰ মাতৃয়ে উত্তেজিত হৈ তাই নিজে ড্ৰাগছ খায়, তাই বেয়া ছোৱালী। দুবাৰ বিয়া হৈছে বুলিও মন্তব্য কৰে। এই ঘটনাৰ লগত জড়িত আন এগৰাকী যুৱতী এতিয়াও পলাতক। সেই যুৱতীগৰাকীক লৈ চৰ্চা অব্যাহত আছে । কিয়নো মৃত যুৱতীগৰাকীয়ে সেই সন্ধানহীন যুৱতীগৰাকীৰ সৈতে স্কুটীৰে এখন বিপণিলৈ গৈছিল আৰু তাৰ পৰা সামগ্ৰী ক্ৰয় কৰি ওলাই গৈছিল। ইফালে যোৰহাটত ড্ৰাগছৰ বাবে সংঘটিত এই ঘটনাসমূহৰ বাবে অসম সেনাৰ আহ্বায়ক বিজয় শংকৰ বৰদলৈয়ে জগৰীয়া কৰিছে যোৰহাট আৰক্ষী আৰু জিলা প্ৰশাসনক। তেওঁ কয়, সামাজিক ব্যাধি এই ড্ৰাগছৰ কৰাল গ্ৰাসত যোৰহাটৰ নতুন প্ৰজন্ম উটি-বুৰি গৈছে। এইসকলে যোৰহাটৰ সমূহ জীৱনক নিঃশেষ কৰিবলৈ আগবাঢ়িছে। ২০২১ চনৰ ২৯ নৱেম্বৰত নগৰৰ মাজমজিয়াত আছু নেতা অনিমেষ ভূঞাক একাংশ ড্ৰাগ আসক্তই নিৰ্মমভাৱে হত্যা কৰিছিল। কিন্তু সেই মৃত্যুৰেই শেষ মৃত্যু হ'ব বুলি আশা কৰা হৈছিল। আনকি যোৰহাটৰ বিধায়কগৰাকীয়ে ড্ৰাগছ বেপাৰীৰ লগত আৰক্ষীৰ মিতিৰালি আছে বুলি ৰাজহুৱাকৈ মন্তব্য কৰা বুলি কয় অসম সেনাৰ আহ্বায়ক গৰাকীয়ে। তেওঁ আৰু কয়, এই ঘটনাৰ লগত জড়িতসকলক গ্ৰেপ্তাৰ কৰিয়েই আৰক্ষীয়ে দায়িত্ব সামৰিব নালাগে। আৰক্ষী কঠোৰ হৈ ড্ৰাগছ সেৱনকাৰী, সৰ বৰাহকাৰী আৰু উৎসসমূহ পুলিয়ে-পোখাই উৎখাত কৰিব লাগে। তদুপৰি এনডিপিএছ আইনখনো কঠোৰ কৰাৰ দাবী জনায়। কিয়নো এই আইনৰ গইনা লৈ দুই-তিনিমাহ অভিযুক্ত জে'লত থাকি পুনৰ ওলাই আহে আৰু পিছত দুগুণ উৎসাহেৰে আকৌ ড্ৰাগ্ৰ্ৰ সৰবৰাহ, সেৱনত নামি পৰে।

# বিজেপিৰ বিশেষ

কাৰ্যকৰ্তাৰ আগত বিস্তৃতভাৱে প্ৰকাশ কৰে। বন্যাৰ্তৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহ প্ৰকাশ কৰাৰ লগতে আগন্তুক সময়ছোৱাত চৰকাৰে গ্ৰহণ কৰিবলগীয়া বিভিন্ন উন্নয়নমূলক আঁচনিৰ কথা অৱগত কৰে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে যে উন্নয়নমূলক আঁচনিৰ ১০০ শতাংশ ৰূপায়ণৰ ক্ষেত্ৰত দলীয় কাৰ্যকৰ্তাই পূৰ্ণ সহযোগ তথা সক্ৰিয়তা দেখুৱাব লাগিব। ইফালে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰসংগতো মুখ্যমন্ত্ৰীয়ে দলীয় কাৰ্যকৰ্তাক এলানি পৰামৰ্শ আগবঢ়ায়। বিশেষকৈ নতুনকৈ সমষ্টি নিৰ্ধাৰণৰ পিছত নগাঁও লোকসভা সমষ্টি বিজেপিয়ে দখল কৰাৰ পূৰ্ণ সম্ভাৱনাৰ কথা অৱগত কৰি এইক্ষেত্ৰত দলে ৰণকৌশল প্ৰস্তুত কৰি দলীয় কাৰ্যকৰ্তাক অৱগত কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। একেদৰে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ, মিচিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভতো এই বৈঠকত মুখ্যমন্ত্ৰীয়ে বিভিন্ন দিশ উল্লেখ কৰে। ৰাজ্যিক নেতৃত্বই নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে মুখ্যমন্ত্ৰীক দলৰ কাৰ্যসূচী অৱগত কৰে। এই বৈঠকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা জীৱনৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অহা ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ এলানি কাৰ্যসূচী দলে গ্ৰহণ কৰিব বুলিও উল্লেখ কৰে সভাপতি দিলীপ শইকীয়াই।

# মহানগৰীৰ হেঙেৰাবাৰীত

আত্মহত্যাৰ ঘটনা নহয়, বৰং ৰিম্পীক স্বামীয়ে পৰিকল্পিতভাৱে হত্যা কৰি ঘটনাটোক আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা কৰে। মহিলাগৰাকীৰ মৃতদেহত আঘাতৰ চিন স্পষ্ট থকা বুলি পৰিয়ালৰ লোকে দাবী কৰিছে। উল্লেখ্য যে হীৰকজ্যোতিৰ সৈতে বিবাহৰ পিছৰে পৰা ৰিম্পীৰ পৰিয়ালৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন হৈ পৰিছিল বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। দুমাহ পূৰ্বে আইনী বিবাহ সম্পন্ন কৰাৰ পিছতে ভাৰাঘৰত এইদৰে ৰহস্যজনক অৱস্থাত ৰিম্পীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অধিক ৰহস্যৰ সৃষ্টি কৰিছে। ইতিমধ্যে ৰিম্পীৰ পৰিয়ালে স্বামী হীৰকজ্যোতি ডেকাৰ বিৰুদ্ধে হত্যাৰ অভিযোগত এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে ঘটনাটোৰ বিভিন্ন দিশ সামৰি তদন্ত অব্যাহত ৰাখিছে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন লাভ কৰাৰ পিছতহে মৃত্যুৰ প্ৰকৃত কাৰণ স্পষ্ট হ'ব বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

# ৰূপনগৰত কামৰূপ মহানগৰ জিলা

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এই উদাহৰণেই প্ৰমাণ কৰিছে যে চৰকাৰখনে যি প্ৰতিশ্ৰুতি দিয়ে তাক নিৰ্দিষ্ট সময়ত পালন কৰে। কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ইতিহাস বৰ্ণনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ ভাষণত কয়- ১৯৫৪ চনত তদানীন্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ কাৰ্যকালত পাণবজাৰত নিৰ্মাণকাৰ্য আৰম্ভ হোৱা কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়টো ১৯৫৬ চনৰ ১২ জুনত উদ্বোধন কৰা হৈছিল। এই কাৰ্যালয়ৰ পৰাই পৰিচালিত জিলাখন পৰৱৰ্তী সময়ত বিভক্ত হৈ কামৰূপ, কামৰূপ মহানগৰ, বৰপেটা, নলবাৰী আৰু বজালী জিলা গঠন হ'ল। ২০১৪ চনত প্ৰধানমন্ত্ৰীৰ দায়িত্ব লৈ নৰেন্দ্ৰ মোদীয়ে প্যঁনতম চৰকাৰ আৰু সৰ্বাধিক প্ৰশাসনৰ যি আহ্বান জনাইছিল, সেই অনুসৰিয়ে ২০২১ চনত মুখ্যমন্ত্ৰী হোৱাৰ পিছত জনতা ভৱনলৈ দৰ্শনাৰ্থী কিমান আহে আৰু কিয় আহে তাৰ এক সমীক্ষা চলোৱা হৈছিল। এই সমীক্ষা অনুসৰি সেই সময়ত জনতা ভৱনলৈ দৈনিক গঢ়ে ৭-৮ হাজাৰ মানুহ বিভিন্ন কাম লৈ আহিছিল। ২০২২ চনত প্ৰশাসনিক সংস্কাৰৰ জৰিয়তে বহু কাম সমাধান কৰাৰ ক্ষমতা সচিবালয়ৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়, মুখ্য অভিযন্তাৰ কাৰ্যালয় বা সঞ্চালকালয়লৈ হস্তান্তৰ কৰা হৈছিল। ফলত সচিবালয়ৰ দৰ্শনাৰ্থীৰ সংখ্যাও হ্ৰাস পাইছিল। জিলা আয়ুক্তৰ কাৰ্যালয়লৈ ৰাইজ কিয় আহে, তাৰ এক সমীক্ষা কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয়- কাৰ্যালয়লৈ নহাকৈ যদি ৰাইজে সুবিধা লাভ কৰে, সেয়াই চৰকাৰৰ আটাইতকৈ ডাঙৰ সফলতা হ'ব। অসমৰ সকলো জিলা আয়ুক্তৰ কাৰ্যালয় সুন্দৰকৈ নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়- ডাঙৰ কাৰ্যালয়ৰ জৰিয়তে বিষয়া-কৰ্মচাৰীসকলৰ বাবে কাম কৰাৰ এটা সুন্দৰ পৰিৱেশ গঢ় দিবলৈ বিচৰা হৈছে। এই কাৰ্যালয়ত জ্যেষ্ঠ নাগৰিকসকলে যাতে উপযুক্ত আদৰ-সন্মান পায়, তাক নিশ্চিত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে যে কাম হওক বা নহওক, কাৰ্যালয়লৈ আহিলে বয়োজ্যেষ্ঠ লোকসকলে সন্মান পাব লাগিব। ইয়াৰ বাবে আয়ুক্তৰ এই কাৰ্যালয়ৰ প্ৰতিটো কোঠা আৰু বাৰাণ্ডাত চিচি টিভি কেমেৰা থাকিব লাগে। বয়োজ্যেষ্ঠ লোকসকলে যাতে থিয় হৈ থাকিব নালাগে, সেই দিশত আয়ুক্তক ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। যদি কোনো জ্যেষ্ঠজনে থিয় হৈ আছে চিচি টিভি কেমেৰাত চাই আয়ুক্তই লগে লগে বিষয়টোত হস্তক্ষেপ কৰিব। মুখ্যমন্ত্ৰীয়ে বিষয়া-কৰ্মচাৰীসকলক সময়মতে নিজৰ দায়িত্ব সম্পাদন কৰিবলৈ আহ্বান জনাই কয়- আয়ুক্তৰ কাৰ্যালয় নিৰ্মাণৰ পৰৱৰ্তী পৰ্যায়ত সকলো বিভাগৰ এটা সংহত কাৰ্যালয় নিৰ্মাণৰ পদক্ষেপ লোৱা হ'ব। কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত বিধায়কসকলৰ বাবেও এটা কোঠাৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ প্ৰদান কৰে। তদুপৰি সংহত জিলা আয়ুক্তৰ কাৰ্যালয়টোৰ কাষতে থকা জলাশয়টো সংৰক্ষণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্ত আৰু জিএমডিএক নিৰ্দেশ দিয়ে। উদ্বোধনী অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰীক আয়ুক্তই কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ মহাফেজখানাত উপলব্ধ কামাখ্যা দেৱালয়ৰ আটাইতকৈ পুৰণি এখন ভূমি নথি উপহাৰ হিচাপে প্ৰদান কৰে। ১৯০৪-০৫ চনৰ এই নথি হৈছে অবিভক্ত কামৰূপ জিলাৰ ৰামচা ৰাণী মৌজাৰ অন্তৰ্গত কামাখ্যা পাহাৰ ৰাজহ গাঁৱৰ লা-খেৰাজ ১নং পট্টাৰ জমাবন্দী। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, কৌশিক ৰায়, বিধায়ক প্ৰদ্যুৎ বৰদলৈ, বিজয় কুমাৰ গুপ্তা, দিপ্লুৰঞ্জন শৰ্মা, ড° তপন দাস, মুখ্য সচিব ড°ৰবি কোটাকে ধৰি কেইবাজনো শীৰ্ষ বিষয়া উপস্থিত থাকে।

# ২৫ আগষ্টৰ পৰা ৭২ ঘণ্টীয়া

লগাত পৰিছে। কিন্তু অ'এনজিচিত হাজাৰ হাজাৰ পদ খালী থকাৰ পিছতো অ'এনজিচি কৰ্তৃপক্ষই আজিলৈকে এই খালী পদসমূহত স্থানীয় শিক্ষিত যুৱক-যুৱতীক নতুনকৈ নিযুক্তি দিয়া নাই। যি নতুন নিযুক্তি অ'এনজিচিত হৈছে, এইয়া অসমৰ বাহিৰত আৰু অসমৰ বাহিৰৰ যুৱক-যুৱতীক নিযুক্তি দিয়া হৈছে। অ'এনজিচি অসম সম্পদে অসমক লৈ কৰি অহা প্ৰৱঞ্চনাৰ বাবে ইতিমধ্যে আটাছুৱে প্ৰতিবাদ সাব্যস্ত কৰিছিল। কিন্তু বানৰ বাবে এই প্ৰতিবাদ স্থগিত ৰখা হৈছিল যদিও এতিয়া পুনৰ এই কাৰ্যসূচী আটাছুৱে আৰম্ভ কৰিব লৈছে বুলি সভাপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে আগন্তুক ২৫ আগষ্টৰ পৰা আটাছুৱে ৭২ ঘণ্টীয়া অ'এনজিচি বন্ধৰ কাৰ্যসূচী হাতত লৈছে। অ'এনজিচি অসম সম্পদে অসমৰ পৰা খাৰুৱা তেল উৎপাদন চলাই থাকি লাভৰ মুখ দেখি আহিছে যদিও অসম আৰু অসমীয়াৰ বাবে কোনো উন্নয়নমূলক কাম কৰা নাই। এটা এটা কৈ অ'এনজিচি অসম সম্পদে কাৰ্যালয়সমূহ অসমৰ পৰা স্থানান্তৰিত কৰিছে। অ'এনজিচিয়ে থলুৱা নিযুক্তি বন্ধ কৰিছে। সামাজিক দায়বদ্ধতাৰ শিতানত অ'এনজিচিয়ে অসমত ব্যয় কৰা ধন বন্ধ কৰিছে। গতিকে এইবোৰ কাৰণত থলুৱাৰ অধিকাৰ বিচাৰি কৰা এই আন্দোলনত সকলোৰে সহযোগিতা কামনা কৰে সভাপতিগৰাকীয়ে। ২৫ আগষ্টৰ পৰা হ'বলগীয়া অ'এনজিচি বন্ধত খনন-উৎপাদনৰ লগত জড়িত সকলো ব্যক্তিগত বীগৰ মালিকসকলৰ লগতে অ'এনজিচিৰ লগত জড়িত সকলো সন্থা-ব্যক্তিক সহযোগ কৰিবলৈ আহ্বান জনাইছে আটাছুৱে। ইফালে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ শেহতীয়া বান প্ৰাকৃতিক ৰূপ নহয়, ই এক মানৱসৃষ্ট মহাপ্ৰলয় বুলি আখ্যা দিয়ে বসন্ত গগৈয়ে। তেওঁ লগতে কয় যে এই বানে দুয়োখন জিলাকে অৰ্থনৈতিক আৰু সামাজিকভাৱে প্ৰায় ২০ বছৰ পিছুৱাই লৈ গৈছে। ১৯ জুলাইৰ পৰা হোৱা বানে সমগ্ৰ জনজীৱন, অৰ্থনীতি আৰু খেতি-বাতি সম্পূৰ্ণৰূপে তচনচ কৰি পেলাইছে। জিলা দুখনক পূৰ্বৰ অৱস্থালৈ ঘূৰাই আনিবলৈ চৰকাৰে পলম নকৰি ১০, ০০০ কোটি টকাৰ বিশেষ পেকেজ ঘোষণা কৰিব লাগে। বানত ক্ষতিগ্ৰস্ত লোকসকলৰ ঘৰ-দুৱাৰ, নথি-পত্ৰ, আচবাব আৰু খেতি পথাৰ ধ্বংস হৈ পৰিছে। চৰকাৰে ঘোষণা কৰা ১৫, ০০০ টকাৰ সাহায্য এতিয়ালৈকে বহু ভুক্তভোগীসকলে পোৱা নাই। ইফালে দিখৌ নদীৰ ১৮ কিঃমিঃ দৈৰ্ঘ্যৰ মুকলি অংশৰে পানী সোমাই এই প্লাৱনৰ সৃষ্টি কৰিছে বুলি সংবাদ মেলত জানিবলৈ দিয়ে আটাছু নেতাগৰাকীয়ে। তেওঁ কয় যে, ১৯৫০-১৯৬০ চনতে নিৰ্মিত পুৰণি মথাউৰিসমূহৰ বহন ক্ষমতা হ্ৰাস পাইছে। দিখৌ নদীৰ বক্ষ খনন কৰা আৰু ১৮ কিঃমিঃ অংশত নতুন মথাউৰি নিৰ্মাণৰ স্পষ্ট প্ৰতিশ্ৰুতি চৰকাৰে দিব লাগিব। ইফালে দৰিকা নদীৰ মাত্ৰ ১৪ কিঃমিঃ অংশতহে মথাউৰি আছে। IIT-ৰ বিশেষজ্ঞ আনি বাকী অংশতো মথাউৰি নিৰ্মাণৰ পৰিকল্পনা কৰিব লাগে।

# মেঘালয়লৈ নাযায় পেট্ৰ'ল-ডিজেল

শোধনাগাৰ শাখাৰ নৰ্থ-ইষ্ট পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নে মেঘালয়ৰ পঞ্জীয়নকৃত বাহনত ইন্ধন সৰবৰাহ সম্পূৰ্ণৰূপে বন্ধ কৰিছে। এক বৈঠকযোগে এনআৰএলস্থিত ইউনিয়নখনে অসমৰ পৰা মেঘালয়লৈ যোৱা পেট্ৰ'ল-ডিজেল আৰু এলপিজি কঢ়িয়াই নিয়া বাহনৰ লোডিং-আনলোডিং কাৰ্যও স্থগিত ৰাখে। মেঘালয় চৰকাৰে অসমৰ পঞ্জীয়নভুক্ত বাহন, চালক আৰু পৰ্যটকৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ নকৰালৈকে অনিৰ্দিষ্টকাললৈকে এই স্থগিতাদেশ অব্যাহত থাকিব বুলি ইউনিয়নে সদৰী কৰিছে। ইফালে মেঘালয়লৈ অসমৰ পৰা ইন্ধন সৰবৰাহ বন্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত তীব্ৰ ইন্ধন সংকটৰ সৃষ্টি হৈছে। শ্বিলঙৰ কেইবাটাও পেট্ৰ'লপাম্পত বাহনৰ দীঘলীয়া লানি দেখা গৈছে। বহু পেট্ৰ'লপাম্পত ইন্ধন দিব নোৱাৰি কৰ্মচাৰীৰ সৈতে গ্ৰাহকৰ তীব্ৰ বাক-বিতণ্ডাও সৃষ্টি হয়। একেদৰে ৰন্ধন গেছৰো তীব্ৰ নাটনিয়ে ৰাজ্যখনত গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছে। অসমৰ পৰ্যটকক বিনা কাৰণত একাংশ দুৰ্বৃত্তই চলোৱা আক্ৰমণৰ ফলতে ৰাজ্যখনৰ সৰ্বসাধাৰণ ৰাইজে ফল ভুগিবলগীয়া হৈছে বুলি বহু লোকে সামাজিক মাধ্যমত মন্তব্য কৰিছে। কিন্তু পৰিস্থিতি যিয়েই নহওক কিয়, মেঘালয় চৰকাৰে সম্পূৰ্ণ নিৰাপত্তা নিদিয়া পৰ্যন্ত ইন্ধন সৰবৰাহ কোনো কাৰণতে আৰম্ভ নকৰাৰ সিদ্ধান্তত অটল হৈ আছে নৰ্থ-ইষ্ট পেট্ৰ'লিয়াম মজদুৰ ইউনিয়ন। আনহাতে তৃতীয়দিনাও যোৰাবাটত পুৱাৰে পৰা কেৱল চালক সন্থাৰ লগতে স্থানীয় ৰাইজে মেঘালয়ৰ বিৰুদ্ধে আৰম্ভ কৰা প্ৰতিবাদী কাৰ্যসূচী অধিক উত্তপ্ত হৈ পৰিছে। ৰাইজে মেঘালয়ৰ পৰা অহা সকলো বাহনক অসমত প্ৰৱেশত বাধা দিয়াৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথত ৰছী টানি দি প্ৰৱেশদ্বাৰ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়ে। উল্লেখ্য যে মেঘালয়ৰ সৈতে চলি থকা তিক্ততাপূৰ্ণ পৰিস্থিতিৰ মাজতে শনিবাৰে কইনাধৰালৈ আলোচনাৰ বাবে অহা মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী, মুখ্য সচিবৰ বাহনেও ৰাইজৰ প্ৰতিবাদৰ সন্মুখীন হ'বলগীয়া হয়। অসম আৰক্ষীৰ সহযোগত মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীৰ বাহন অসমত প্ৰৱেশ কৰিবলৈ সক্ষম হ'লেও প্ৰতিবাদকাৰীসকলে ৰাজ্যখনৰ মুখ্য সচিবৰ গাড়ী এক প্ৰকাৰ আগচি ধৰি কিছু সময়লৈকে আবদ্ধ কৰি ৰাখে। অৱশ্যে অসম আৰক্ষীৰ হস্তক্ষেপত গাড়ীখন যাবলৈ দিয়া হয়।

# সন্তান জন্ম দিব পৰা ক্ষমতা

কৰাটো শিক্ষাৰ্থী অধিকাৰ শিক্ষা লাভৰ পৰা যদি আমি বঞ্চিত কৰিছোঁ। এইসকল ড্ৰপ আউট হোৱা শিক্ষাৰ্থীক বিচাৰি উলিয়াই পুনৰ নিয়মীয়া বিদ্যালয়ৰ লগতে মুক্ত বিদ্যালয়তো শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ইউনিচেফৰ তথ্যৰে কয় যে ছাত্ৰ-ছাত্ৰীৰ ড্ৰপ আউটৰ মূল কাৰণ দৰিদ্ৰতা। ৩০% শিক্ষাৰ্থী দৰিদ্ৰতাৰ বাবে বিদ্যালয়লৈ নাহে। ইউনিফেচৰ এক অধ্যয়নত এই তথ্য পোহৰলৈ আহিছে। ৩০% শিক্ষাৰ্থীয়ে বুজি নাপায় কি শিক্ষাইছে শিক্ষকে। যোৱা গুণোৎসৱত পঞ্চম শ্ৰেণীত পঢ়া ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব নাজানে। সপ্তম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীয়ে লিখিব নাজানে। শিক্ষকে কি শিকাইছে সেইটো বুজি নাপায় কিছু ছাত্ৰ-ছাত্ৰীয়ে। যাৰ ফলত বিদ্যালয় ত্যাগ কৰিবলৈ বাধ্য হয়। ৪৫ দিন একেৰাহে যি বিদ্যালয়ত অনুপস্থিত সেই সংখ্যাহে ড্ৰপ আউট ছাত্ৰ-ছাত্ৰী হিচাপে ধৰা হয় বুলি উল্লেখ কৰি শেহতীয়াকৈ সৰ্বশিক্ষা অভিযানে পোহৰলৈ অনা এই সম্পৰ্কীয় তথ্যৰ উদ্ধৃতি দি ডাঃ পেগুৱে কয়- শেহতীয়াকৈ বিধানসভাৰ মজিয়াত চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থী হ্ৰাসক লৈ চৰ্চা হৈছিল। বিধানসভাত চলা চৰ্চাৰ পাছতে শিক্ষা বিভাগে আৰম্ভ কৰিছিল এক সমীক্ষা। শিক্ষা বিভাগৰ সমীক্ষাত পোহৰলৈ আহিছে মাথোঁ এটা বছৰতে ৰাজ্যত ৫ লাখ শিক্ষাৰ্থী নাইকিয়া হৈছে। প্ৰাক্ প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি দ্বাদশ শ্ৰেণী পৰ্যন্ত। অংগনৱাড়ী শিক্ষাৰ্থী স'তে হিচাপ নিমিলে বিদ্যালয়ৰ নামভৰ্তি। যাৰ বাবে আজিৰে পৰা আৰম্ভ হল শিক্ষাযাত্ৰা। ৰাজ্যত ২৬শ স্বেচ্ছাসেৱকে ৫ লাখ ড্ৰপ আউট শিক্ষাৰ্থী বিচাৰি উলিওৱা শিক্ষাৰ্থীক প্ৰদান কৰিব শিক্ষা। এই অনুষ্ঠানত উপস্থিত থাকে বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰ, সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক আয়ুস গাৰ্গ, ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় শিক্ষা সংস্থানৰ ক্ষেত্ৰীয় কেন্দ্ৰ গুৱাহাটীৰ সঞ্চালক ড° ৰাজেন্দ্ৰ নায়ক আদি।

# নতুন দিল্লীত প্ৰধানমন্ত্ৰী মোদীক

হৈছে বুলি ৰাজ্য চৰকাৰে জাৰি কৰা এক প্ৰেছ বিবৃতিত প্ৰকাশ কৰা হৈছে। বৈঠকৰ অন্তত সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই জনায় যে আজি নতুন দিল্লীত মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াক সাক্ষাৎ কৰি তেখেতৰ আশীৰ্বাদ আৰু মাৰ্গদৰ্শনেৰে সমৃদ্ধ হোৱাৰ সৌভাগ্য হ'ল। অসমৰ বান পৰিস্থিতিৰ সমগ্ৰ সময়ছোৱাত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই পৰিস্থিতিৰ নিৰন্তৰ খবৰ ৰখাৰ লগতে নিবিড়ভাৱে পৰ্যালোচনাও কৰিছিল আৰু সকলো সহায়-সহযোগিতাও আগবঢ়াইছিল। আজিৰ সাক্ষাতত বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পুনৰ্নিৰ্মাণ, জীৱিকা পুনৰুদ্ধাৰ আৰু সামগ্ৰিক পুনৰুদ্ধাৰৰ পৰৱৰ্তী পৰ্যায়ৰ বাবে আমাৰ ৰূপৰেখা তেখেতৰ আগত ব্যক্ত কৰোঁ। তেখেতে এই অভিযানক সফল পৰিণতিলৈ লৈ যোৱাত ভাৰত চৰকাৰৰ অকুণ্ঠ সহায়-সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। অসমৰ ৰাইজে আমাক অৰ্পণ কৰা দায়িত্ব পালনৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ প্ৰথম ১০০ দিনত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ পদক্ষেপসমূহৰ বিষয়েও আজিৰ বিশেষ দিনটোতে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক অৱগত কৰোঁ। এই আপাহতে 'বিকশিত অসম'ৰ সংকল্প বাস্তৱায়নৰ দিশত নিৰন্তৰ মাৰ্গদৰ্শন আৰু দৃঢ় সমৰ্থনৰ বাবে মাননীয় মোদী ডাঙৰীয়ালৈ ৰাজ্যবাসীৰ হৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইফালে ৰাজ্য চৰকাৰে জাৰি কৰা প্ৰেছ বিবৃতি অনুসৰি বৈঠকত ৰাজ্য চৰকাৰৰ বৃহৎ উন্নয়নমূলক অগ্ৰাধিকাৰসমূহৰ লগতে অৰ্থনৈতিক বিকাশ খৰতকীয়া কৰা, আন্তঃগাঁথনি শক্তিশালী কৰা, ৰাজহুৱা সেৱা প্ৰদান ব্যৱস্থাৰ উন্নতি সাধন কৰা আৰু অসমৰ ৰাইজৰ জীৱনযাপন অধিক সুচল কৰাৰ প্ৰচেষ্টাসমূহৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতি গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে 'বিকশিত অসম'ৰ যৌথ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ নিৰন্তৰ মাৰ্গদৰ্শন আৰু আগবঢ়োৱা প্ৰতিশ্ৰুতিৰ বাবে তেওঁ অশেষ ধন্যবাদৰ পাত্ৰ। চৰকাৰী বিবৃতি অনুসৰি আজিৰ এই বৈঠকে বান পৰিস্থিতিৰ মোকাবিলা কৰাৰ লগতে ৰাজ্যখনৰ উন্নয়নমূলক কাৰ্যসূচী আগবঢ়াই নিয়াত কেন্দ্ৰ আৰু অসম চৰকাৰৰ মাজত থকা সুদৃঢ় সমন্বয়ক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। বানপীড়িত অঞ্চলসমূহত কাৰ্যকৰী সংস্থাপন আৰু পুনৰ্নিৰ্মাণ সুনিশ্চিত কৰাৰ সমান্তৰালকৈ এখন 'বিকশিত অসম' গঢ়ি তোলাৰ লক্ষ্যৰে অসম চৰকাৰে ভাৰত চৰকাৰৰ সৈতে যৌথ প্ৰচেষ্টাৰে কাম কৰি যাবলৈ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ব্যক্ত কৰিছে।

# যোৰাবাটত অব্যাহত থকা

উপ-মুখ্যমন্ত্ৰীকো অসমত প্ৰৱেশত বাধা প্ৰদান কৰি সন্মুখতে গ' বেক ধ্বনি দিয়ে কেৱল চালকসকলে। এনে উত্তপ্ত পৰিৱেশৰ সময়তে শনিবাৰে সন্ধিয়া যোৰাবাটৰ প্ৰতিবাদস্থলীত উপস্থিত হয় মন্ত্ৰী অতুল বৰাৰ লগতে আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্ত। প্ৰতিবাদস্থলীত উপস্থিত হৈ মন্ত্ৰী অতুল বৰাই কয়-মেঘালয়ত যি ঘটনা হ'ল সেয়া বৰ দুৰ্ভাগ্যজনক। এই ঘটনা সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিছে। এনে ঘটনাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ ওপৰতো নজৰ ৰখা হ'ব। আজি মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী আৰু মুখ্য সচিবৰ লগত গুৱাহাটীত এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ লগত আলোচনা কৰা হৈছে। আলোচনাত এটা সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে সিদিনা অসমৰ চালকৰ লগতে পৰ্যটকৰ ওপৰত যিসকল দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰিলে তেওঁলোকক চিনাক্ত কৰি উচিত শাস্তি বিহা হ'ব বুলি মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে আস্থা দিছে। পৰৱৰ্তী সময়ত যাতে এনেকুৱা ঘটনা আৰু নহয় তাৰ ওপৰটো গুৰুত্ব দিয়া হ'ব। তদুপৰি ৪৮ ঘণ্টাৰ ভিতৰত মেঘালয়ত আবদ্ধ হৈ থকা অসমৰ মানুহখিনি নিৰাপদে যাতে অসমলৈ আহিব পাৰে তাৰো ব্যৱস্থা গ্ৰহণ কৰিব মেঘালয় চৰকাৰে। মন্ত্ৰী অতুল বৰাই প্ৰতিবাদকাৰীসকলক প্ৰতিবাদ প্ৰত্যাহাৰৰ বাবে আহ্বান জনায়। তেওঁ কয়- আমি ইয়াত প্ৰতিবাদ কৰি থাকিলে তেওঁলোকেও তাত বেলেগে বেলেগে ধৰণে কাম কৰি থাকিব আৰু এটা অশান্ত পৰিৱেশৰ সৃষ্টি হ'ব। সেয়েহে এনে প্ৰতিবাদ আজিৰে পৰা যাতে কেৱল চালকসকলে নকৰে। ইফালে ক্ষতিগ্ৰস্ত হোৱা বাহনসমূহৰ ক্ষতিপূৰণ দিয়াৰ বিষয়টোৰ ওপৰতো আলোচনা কৰা হৈছে বুলি মন্ত্ৰী অতুল বৰাই কয়। মন্ত্ৰীগৰাকীৰ অনুৰোধমৰ্মে প্ৰতিবাদকাৰীসকলে সাময়িকভাৱে প্ৰতিবাদ প্ৰত্যাহাৰ কৰে।

# ইউক্ৰেইনত 'ডাব্ল টেপ'

৯জন লোক এতিয়াও সন্ধানহীন হৈ আছে। সম্ভৱতঃ তেওঁলোক ধ্বংসস্তুপৰ তলত আবদ্ধ হৈ আছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভল'ডিমিৰ জেলেনস্কিয়ে এই সন্দৰ্ভত কয়- 'দিনৰ ভাগতে জনাকীৰ্ণ চহৰখনত চলোৱা এই আক্ৰমণ নিন্দনীয় আৰু জঘন্য।' তেওঁ দাবী কৰে যে প্ৰথম আক্ৰমণটোৰ পিছতে যেতিয়া অগ্নিনিৰ্বাপণ বাহিনী আৰু জৰুৰী সেৱা প্ৰদানকাৰী কৰ্মীসকল ঘটনাস্থলীত উদ্ধাৰকাৰ্য আৰম্ভ কৰে, সেই সময়তে দ্বিতীয়তো আক্ৰমণ চলোৱা হয়। সংবাদ মাধ্যমত প্ৰকাশিত এটা ভিডিঅ'ত দেখা গৈছে যে জুই জ্বলি থকা শ্বপিং মলটোত দ্বিতীয়তো ড্ৰোন আক্ৰমণ চলোৱা হয়। শুকুৰবাৰে দক্ষিণ ইউক্ৰেইনৰ মাইক'লিভঅঞ্চলত ৰুছ সেনাৰ দুটা পৃথক আক্ৰমণত চাৰিজন লোক নিহত হোৱাৰ খবৰ পোৱা গৈছে। নিহতসকলৰ ভিতৰত ৩টা শিশুও আছে।

# দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী

ডাঙৰীয়ানীক অসমৰ বানৰ ক্ষয়-ক্ষতিৰ চলি থকা মূল্যায়ন, ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ পুনৰ্নিৰ্মাণ আৰু বানপীড়িত পৰিয়ালসমূহৰ জীৱন-জীৱিকা পুনৰ গঢ়ি তোলাৰ আমাৰ পৰিকল্পনাৰ বিষয়ে অৱগত কৰো। অসমৰ সমস্যাসমূহ তেখেতে অতি মনোযোগ আৰু সংবেদনশীলতাৰে শুনি এই কঠিন সময়ত কেন্দ্ৰীয় চৰকাৰৰ দৃঢ় সহযোগিতাৰ বিষয়ে উল্লেখ কৰে । অসমৰ স্বাৰ্থ আৰু অসমৰ জনসাধাৰণৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ এই আন্তৰিক সহযোগিতা আমাৰ শক্তি আৰু আস্থাৰ এক গুৰুত্বপূৰ্ণ আধাৰ । উল্লেখ্য যে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীক আশ্বাস দিয়ে যে ৰাজ্যখনে বানাক্ৰান্ত পৰিয়ালসমূহক তেওঁলোকৰ জীৱন পুনৰ নিৰ্মাণত সহায় কৰাৰ দিশত গ্ৰহণ কৰা পদক্ষেপৰ সময়ত ভাৰত চৰকাৰে অসমৰ সৈতে দৃঢ়তাৰে থিয় হৈ থাকিব। মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমত ইয়াকো উল্লেখ কৰে যে কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ ইতিবাচক সঁহাৰি আৰু ভাৰত চৰকাৰে অসমৰ সৈতে দৃঢ়তাৰে থিয় দিব বুলি দিয়া আশ্বাসৰ বাবে মই গভীৰভাৱে কৃতজ্ঞ। আনহাতে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় শিক্ষা, গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰণালয় আৰু নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰণালয়ৰ মন্ত্ৰী প্ৰহ্লাদ যোশীৰ সৈতেও পৃথকে এক বৈঠকত মিলিত হয়। শেহতীয়াকৈ শিক্ষা মন্ত্ৰালয়ৰ নতুনকৈ দায়িত্ব গ্ৰহণ কৰা প্ৰহ্লাদ যোশীৰ সৈতে মুখ্যতঃ শিক্ষা, খাদ্য আৰু অসামৰিক যোগান তথা নৱীকৰণযোগ্য শক্তিখণ্ডৰ অসমৰ অগ্ৰাধিকাৰ, ভৱিষ্যৎ পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই বৈঠক সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে কয় যে, মাননীয় যোশী ডাঙৰীয়াৰ সৈতে মূলতঃ শিক্ষা, খাদ্য আৰু অসামৰিক যোগান তথা নৱীকৰণযোগ্য শক্তি খণ্ডৰ অসমৰ অগ্ৰাধিকাৰ আৰু ভৱিষ্যৎ পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰা হয় । অসমৰ প্ৰতি তেখেতৰ ইতিবাচক দৃষ্টিভংগী আৰু অব্যাহত সহযোগিতাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

## ENGLISH NEWS SECTION

# ONGCL extends support to Government of Assam for restoration of flood affected schools under CSR fund




Guwahati, RB News: A Memorandum of Agreement (MoA) was signed today between Oil & Natural Gas Corporation Limited (ONGCL) and Assam State Disaster Management Authority (ASDMA) at the conference hall of ASDMA, Janata Bhawan, Dispur to support towards rebuilding & restoration of flood-affected schools in Assam especially in Sivasagar and Charaideo districts under corporate social responsibility (CSR) of ONGCL. The MoA was signed by Shri Niraj kumar Bansal, Group General Manager - Head Corporate, CSR , ONGCL, NEW DELHI and Shri Parag Kumar Kakaty, ACS, Additional Secretary, Revenue & Disaster Management (R&DM) and Addl. Chief Executive Officer, ASDMA in the presence of Shri Atal Srivastava, General Manager-CSR , ONGCL, NEW DELHI, Smt. Bandana Das, Liaison Officer, ONGCL, Guwahati, Shri Pankaj Chamuah, ACS, Deputy Secretary, (R&DM) and State Project Coordinator, ASDMA and other senior officials of ASDMA. As per the MoA, ONGC would support the government of Assam with financial assistance of Rs. 20 Cr. for rebuilding & restoration of around 650 flood-affected schools in Assam especially in Sivasagar and Charaideo districts which have been severely affected by the recent floods. The Project shall be completed in 07 months from the date of release of the CSR fund.

## India suffer their 1st defeat at Women's Hockey WC 2026



RB News: India suffered their first defeat at the Women's Hockey World Cup 2026, losing 0-2 to world number one Netherlands in their second-round group stage match at the Wagener Stadium in Amstelveen on Friday. For the Dutch team, which had scored 15 goals in three matches in the first round, Yibbi Jansen scored in the second minute and Frederique Malta in the 38th minute, both from penalty corners. India now face Australia on Sunday and must win this match to keep their semifinal hopes alive.

## Neeraj Chopra misses Lausanne Diamond League title by 0.09 metres



RB News: Two-time Olympic medal-winning javelin thrower Neeraj Chopra missed the Lausanne Diamond League 2026 title by just 0.09 metres. Chopra's 88.05m throw put him briefly on top of the men's javelin standings. Sri Lanka's Rumesh Tharanga Pathirage responded with 88.14m to take the lead and eventually the title, beating Chopra for the third time in their three meetings this season. The result leaves Pathirage with a perfect record against Chopra in 2026, while the Indian secured valuable points in his bid to qualify for the Diamond League Final.

## Kajal wins gold at U20 Wrestling World Championships



RB News: Indian wrestler Kajal Dhochak defeated China's Jingru Sun to clinch gold at the U20 Wrestling World Championships for the second straight year. The 18-year-old won the 76kg title with a 7-0 victory over Sun in the final. Kajal, who won the U20 world title in the 72kg category last year, hails from Lath village in Haryana's Sonipat.In the 72-kilogram category, India's Tanu Sharma put up a determined fight against Japan's Chisato Yoshida in the final but lost 3-5 to settle for silver. In the 62-kilogram category, Savita also won a silver medal after losing to Japan's Sakura Onishi by technical superiority, 2-12.

## Pakistan lose 1st Test to England in 3 days



RB News: England defeated Pakistan by an innings and 103 runs on the third day of the first Test in Leeds on Friday. Pakistan have now gone 17 Tests without a win in SENA countries, with their last victory coming in 2018. The defeat pushed Pakistan below the West Indies to the bottom of the World Test Championship (WTC) 2025-27 points table.

## Bangladesh Premier League suspended



RB News: Bangladesh's top domestic T20 tournament, the Bangladesh Premier League (BPL), will not be held this year as the Bangladesh Cricket Board (BCB) plans to restructure the competition, board president Tamim Iqbal said on Thursday. Tamim said the tournament has been suspended because several franchises failed to follow the league's rules and regulations. "The BPL will not happen this year," Tamim told reporters. The board reportedly lost over 31 crore over the last two editions. Tamim said he would take six or 12 months, if needed, to rebuild it properly.

## Sam Curran ruled out for rest of English season with groin injury



RB News: England all-rounder Sam Curran has been ruled out for the remainder of the English season after being advised to undergo surgery on a groin injury, ending his hopes of making a Test comeback this summer. He is set to undergo operation on Friday and will miss Surrey's remaining fixtures and England's white-ball series against Sri Lanka in September. Curran, who was expected to join England's squad for Pakistan Test series, last played a Test in 2021. The injury is a major setback for the all-rounder, who had emerged as a potential option for England's Test side following Ben Stokes' retirement.

# আধ্যাত্মিকতাৰ দাপোণত ভাদ মাহঃ এক অৱলোকন



প্ৰেম বৈষ্ণৱ, বিহালী, বিশ্বনাথ

অসমীয়া জনজীৱনৰ বাৰিষাৰ শেষ আৰু শৰৎকালৰ আগমনৰ মধ্যৱৰ্তী সময়ছোৱাত প্ৰকৃতিৰ বুকুত বিৰাজ কৰা এক অনন্য পৰিৱেশে ভাদ মাহক আন মাহসমূহৰ তুলনাত পৃথক কৰি তোলে। সূৰ্যৰ উত্তৰায়ণ আৰু দক্ষিণায়নৰ চক্ৰত আৱদ্ধ এই পঞ্চম মাহটো প্ৰকৃতি আৰু মানৱ মনৰ মাজত এক গভীৰ যোগসূত্ৰ স্থাপন কৰা সময়। আকাশত মেঘৰ অহা-যোৱা, পথাৰত সেউজীয়া শইচৰ দোলনি আৰু চৰাই-চিৰিকটিৰ কলৰৱৰ মাজত মানৱ মনে আধ্যাত্মিকতাৰ সন্ধান কৰে। অতীজৰ পৰা প্ৰচলিত এই মাহটোক কেৱল এখন কেলেণ্ডাৰৰ পাত বুলি অভিহিত কৰিলে ইয়াৰ তাৎপৰ্যৰ প্ৰতি অবিচাৰ কৰা হ'ব। ই এক নিৰৱচ্ছিন্ন প্ৰবাহ, য'ত মানুহে নিজৰ অস্তিত্বৰ সন্ধান কৰাৰ লগতে সমাজক এক নতুন মাত্ৰা প্ৰদান কৰাৰ সুযোগ লাভ কৰে।

পৃথিৱীৰ প্ৰতিখন সমাজৰে নিজস্ব বিশ্বাস আৰু আচাৰ-নীতি থাকে। আমাৰ অসমীয়া সমাজত ভাদ মাহৰ সৈতে সংলগ্ন হৈ আছে গভীৰ ভক্তি আৰু শ্ৰদ্ধাৰ এক পবিত্ৰ পৰিৱেশ। চাৰিওফালে দেখা দিয়া অস্থিৰতা আৰু প্ৰকৃতিৰ পৰিৱৰ্তনৰ মাজত এই মাহটোৱে মানুহক সংযম আৰু অনুশাসনৰ শিক্ষা দিয়ে। আধ্যাত্মিকতা মানে কেৱল ধৰ্মীয় অনুষ্ঠান পালন কৰা নহয়, ই হ'ল মানুহৰ অন্তৰাত্মাৰ পৰিষ্কাৰক এক নিৰন্তৰ প্ৰক্ৰিয়া। ভাদ মাহৰ পবিত্ৰতাই আমাক সোঁৱৰাই দিয়ে যে বাহ্যিক জগতখন যিমানেই কোলাহলপূৰ্ণ নহওক কিয়, মানুহৰ অন্তৰত এটা শান্তিপূৰ্ণ স্থান সদায় বৰ্তি থাকে। এই মাহত আমাৰ নামঘৰসমূহ একোটা আধ্যাত্মিক শক্তিকেন্দ্ৰত পৰিণত হয়। নাম-কীৰ্তনৰ ধ্বনিয়ে পৰিৱেশত যি কম্পন সৃষ্টি কৰে, সি মানুহৰ মনত থকা বিষাদ আৰু ক্লান্তি আঁতৰাই নতুন উদ্যমৰ সৃষ্টি কৰে।


সাংস্কৃতিক আৰু সামাজিক পৰিচয়ৰ ক্ষেত্ৰত ভাদ মাহ এক মাইলৰ খুঁটি। কৃষিৰ ওপৰত নিৰ্ভৰশীল অসমীয়া চহা সমাজে শাওণৰ কঠীয়া সিঁচা কাৰ্যৰ অন্তত কিছু সময় জিৰণি লয়। এই জিৰণিৰ সময়খিনি কেৱল শৰীৰৰ বাবে নহয়, আত্মাৰ খোৰাকৰ বাবেও অপৰিহাৰ্য। সমাজৰ প্ৰতিটো স্তৰৰ মানুহে এই সময়ত ধৰ্মীয় আৰু সামাজিক কাম-কাজত নিজক নিমগ্ন কৰে। সেয়া নামঘৰৰ মজিয়াত ভাগৱত পাঠেই হওক বা গুৰুসকলৰ স্মৃতিচাৰণেই হওক, প্ৰতিটো পদক্ষেপে আমাক আমাৰ মূল শিপাৰ ফালে লৈ যায়। এই আধ্যাত্মিকতাই আমাক শিকাইছে যে আমি সকলো এক উমৈহতীয়া সূতাৰে বান্ধ খাই আছোঁ। ভাদ মাহৰ এই বিস্তাৰিত পটভূমিত আমি আমাৰ সমাজৰ অৱক্ষয় ৰাস কৰি এক নৱজাগৰণৰ সূচনা কৰিব পাৰোঁ। আজিৰ প্ৰযুক্তি নিৰ্ভৰ সময়ত মানুহৰ পৰস্পৰৰ মাজত থকা দূৰত্ব বাঢ়ি গৈছে। নাম-প্ৰসংগই এই দূৰত্ব হ্ৰাস কৰি সমাজত সংহতি আৰু মৈত্ৰীৰ বান্ধোন শক্তিশালী কৰে। অসূয়া-অপ্ৰীতি আঁতৰাই এখন সুস্থ সমাজ গঢ়ি তোলাৰ বাবে এই মাহটো এক প্ৰশিক্ষণ কেন্দ্ৰ স্বৰূপ।

ভাদ মাহত প্ৰকৃতিয়ে যেন এক নতুন সাজ পৰিধান কৰে। যি সময়ত চাৰিওফালে নানা অশুভ বাতাৱৰণৰ সৃষ্টি হয়, সেই সময়ত ভাদ মাহে এক আশাৰ কিৰণ লৈ আহে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰী শ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথিয়ে আমাৰ সমাজক এক নতুন দিশ প্ৰদৰ্শন কৰি গৈছে। তেওঁলোকৰ জীৱনৰ আদৰ্শ আৰু অৱদানসমূহ কেৱল কিতাপৰ পৃষ্ঠাত আবদ্ধ নহয়, প্ৰতিজন অসমীয়াৰ অন্তৰত জীৱন্ত হৈ আছে। গুৰু দুজনাৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি আয়োজন কৰা আলোচনা চক্ৰসমূহে সমাজৰ নৈতিক মানদণ্ড উন্নত কৰাত সহায় কৰে। পৌৰাণিক আখ্যান অনুসৰি শুকদেৱে ৰজা পৰীক্ষিতক শুনাইছিল ভাগৱতৰ অমৃত বাণী। এই পৰম্পৰা অসমৰ প্ৰতিটো গাঁৱৰ নামঘৰত এতিয়াও জীয়াই আছে। অখণ্ড ভাগৱত পাঠৰ জৰিয়তে সমাজৰ মানুহে যি আধ্যাত্মিক শক্তি অৰ্জন কৰে, তাৰ দ্বাৰা মানুহৰ মনত থকা মৃত্যুভয় আৰু সংসাৰৰ মোহ আঁতৰ কৰিবলৈ চেষ্টা কৰা হয়। এই প্ৰক্ৰিয়াটোৱে মানুহক নিৰহংকাৰী হ'বলৈ শিকায়। নামঘৰৰ মজিয়াত ধনী-দুখীয়া নিৰ্বিশেষে সকলোৱে একেলগে বহি হৰিনাম লোৱাটো আমাৰ সামাজিক সাম্যৰ এক উৎকৃষ্ট নিদৰ্শন।

ভাদ মাহত উদযাপন কৰা শ্ৰীকৃষ্ণ জন্মষ্টমীয়ে আমাক ধৰ্ম প্ৰতিষ্ঠাৰ অৰ্থ বুজাই দিয়ে। অশুভ শক্তিৰ বিনাশ আৰু শান্তিৰ প্ৰতিষ্ঠাৰ বাবে যি সংগ্ৰাম, সেয়া শ্ৰীকৃষ্ণৰ জীৱনৰ পৰা আমি শিকিব পাৰোঁ। লোকবিশ্বাসসমূহৰ আঁৰত থকা বৈজ্ঞানিক দিশবোৰকো আমি অৱহেলা কৰিব নোৱাৰোঁ। উদাহৰণস্বৰূপে, ভাদ মাহত বিয়া-বাৰু আদি মাঙ্গলিক কাম নকৰাৰ আঁৰত সমাজৰ কিছু ব্যৱহাৰিক কাৰণ লুকাই থাকে। এই সময়ত প্ৰকৃতিৰ পৰিৱৰ্তনৰ লগত নিজক খাপ খুৱাবলৈ শৰীৰ আৰু মনক প্ৰস্তুত কৰিবলগীয়া হয়। সামাজিক একতাৰ বাবে ভাদ মাহত আইসকলৰ ভূমিকা অপৰিসীম। নামঘৰত আইসকলে সমবেত হৈ যি নাম-গুণ গায়, সি গোটেই গাঁওখনতে এক পবিত্ৰ বাতাৱৰণৰ সৃষ্টি কৰে। এই নাম-প্ৰসংগই মহিলাসকলৰ মাজত থকা পাৰস্পৰিক বুজাবুজি আৰু মৰম-চেনেহৰ বান্ধোনক দৃঢ় কৰে। কোনো সমস্যা হ'লে বা বিপদৰ সময়ত নামঘৰৰ জৰিয়তে গাঁওবাসী একত্ৰিত হয়। এই মাহটোত প্ৰতিপালন কৰা পৰম্পৰাবোৰে আমাৰ জাতীয় চৰিত্ৰক নিৰূপণ কৰে।

আগলৈ....

# হৃদয়ৰ একোখনি নদী



ৰুমী কলিতা দত্ত, ডিব্ৰুগড়

প্ৰতিজন মানুহৰে বুকুত
থাকে একোখনি নদী
কোনেও নেদেখে তাৰ বৈ যোৱা সুঁতি।
কেতিয়াবা সুখৰ প্লাৱনত
ই দুয়োপাৰ উপচি পৰে
কেতিয়াবা আকৌ নিৰৱে বিষাদৰ বালিচৰ গঢ়ে।
আমিবোৰে দেখোন মাথোঁ
মুখৰ হাঁহিটোকে দেখোঁ,
ভিতৰৰ উচুপনিবোৰক জানো
কেতিয়াবা কিবা সোধোঁ?
প্ৰতিটো অভিমানৰ আঁৰত থাকে
অলপ মৰমৰ ভোক
এটোপাল চকুৰ পানিতে লীন হয়
হাজাৰটা শোক।
ধুনীয়া সাজপাৰ পিন্ধিলেই
মানুহ সুখী নহয় জানা,
নিভৃত কোণত থকা মৰমৰ
নাই কোনো সীমানা।
কেতিয়াবা এটা মিঠা মাতেই
মচি দিয়ে যুগৰ ভাগৰ
কেতিয়াবা আকৌ এষাৰ
অবুজ কথাই বুকুত তোলে সাগৰ।
আহা, আমি ইজনে সিজনৰ
হৃদয়ৰ খবৰ লওঁ,
স্বাৰ্থৰ এই পৃথিৱীত অলপ নিঃস্বাৰ্থ হৈ ৰওঁ।
কিয়নো শেষত সকলোৱে
বিচাৰে মাথোঁ একাজলি মৰম
যিয়ে জুৰাব পাৰে জীৱনৰ
আটাইতকৈ কঠিন গৰম।

# আধ্যাত্মিক মহত্বৰে

ৰক্ষা পাবলৈ দেৱ-দেৱতাক প্ৰাৰ্থনা কৰা হয়। ফলস্বৰূপে অসমীয়া কৃষকসকলে প্ৰকৃতিৰ লগত নিবিড়ভাৱে সংযুক্ত হৈ পৰে ভাদ মাহৰ এই প্ৰাকৃতিক পৰিৱেশ আৰু কৃষিভিত্তিক সাধনাই অসমীয়া সমাজৰ আত্মনিৰ্ভৰশীলতাৰ এক দৃষ্টান্ত প্ৰদৰ্শন কৰে।

ভাদ মাহ কেৱল ধৰ্মীয় বা কৃষিভিত্তিক সময় নহয় ; ই সামাজিক আৰু সাংস্কৃতিকভাৱে এক গম্ভীৰ সম্প্ৰেষণৰ সময়। ভাদ মাহ অসমীয়া সমাজত এক সামাজিক একতাৰ উৎস হিচাপে পৰিগণিত। গাঁৱে গাঁৱে সত্ৰ-নামঘৰ বোৰত নাম-কীৰ্তনৰ চৰ্চা, ভজন, ভাগৱত পাঠ আদি অনুষ্ঠিত হয় । পৰম্পৰাগত খোল -তাল গান-বাজনা, নৃত্য ইত্যাদিৰ জৰিয়তে লোকসংস্কৃতিৰ পুনৰুজ্জীৱন ঘটে।

ভাদ মাহৰ ধৰ্মীয় অনুষ্ঠান আৰু সামাজিক সংযোগৰ মাজেৰে অসমীয়া মানুহৰ মাজত নৈতিক মূল্যবোধ, শ্ৰদ্ধা আৰু ভক্তি, সামাজিক দায়িত্ববোধ আৰু ঐক্যবদ্ধতাৰ বোধ বৃদ্ধি পায় ।

যুগে যুগে এই মাহটোৱে অসমীয়া জাতিৰ ঐতিহ্য, চিন্তাধাৰা আৰু জীৱনদৰ্শনৰ আদৰ্শ বহন কৰিছে। সেয়ে ভাদ মাহক আধ্যাত্মিকতাৰ সমাজ পুৰণি পৰম্পৰা, ধৰ্মীয় আৰু সমাজিক সংগঠনৰ মাজেৰে এই মাহটোতে অসমীয়া ঐতিহ্যৰে ঈশ্বৰক ভক্তি ভাৱনাৰে আত্মা আৰু পৰমাত্মাৰ মিলন ঘটে ।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286